# কটন কলেজ আলোচনী

সম্পাদিকা: কল্পনা দত্ত

ৰঞ্জন দুবৰা '৬৭

THE DIBRUGARH HANUMANBOX SARUPMALL KANOI COLLEGE

# কানৈ কলেজ আলোচনী

একবিংশ সংখ্যা—১৮৮৯ শক

সম্পাদিকা—কল্পনা দত্ত

## —স্মৃতি অৰ্ঘ্য—

### অশ্রু অঞ্জলি পদ্মশ্রী কানৈৰ মৃত্যুত

অৱশেষত দানবীৰ কানৈৰ পৰলোক প্ৰাপ্তি ঘটিল। এখন আকাশৰ দৰে উদাৰ জ্ঞান পিপাসু হৃদয়ৰ শব্দ স্তব্ধ হৈ গ'ল। আজীৱন সংগ্ৰাম কৰি কৰি নিজা বুদ্ধিৰ ফল স্বৰূপে কানৈ এক অগাধ ঐশ্বৰ্য্যৰ অধিকাৰী হ'ল। কিন্তু সেই ঐশ্বৰ্য্য তেওঁ অকলে ভোগ কৰা নাছিল। বিভিন্ন শিক্ষা অনুষ্ঠান আদিৰ বাবে তেওঁ মুক্ত হস্তে দান কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা সেইজন মহতীলোকৰ বাবেই হ'ল বুলি কব পাৰি। কানৈ কলেজ. কানৈ কমাৰ্চ কলেজ, মনোহৰী দেবী গাৰ্লচ কলেজ আদিৰ বাবে তেখেতৰ নাম সৰ্ব্বজন বিদিত। এইদৰে আজীৱন সংগ্ৰামৰ মুখামুখি হৈ তেখেতে যিদৰে আৰ্জন কৰিলে, সেইদৰেই দান দি গ'ল। তেখেতৰ এনে উদাৰ দানশীলতাৰ বাবে ভাৰত চৰকাৰৰ পৰা "পদ্মশ্ৰী" উপাধিও লাভ কৰিলে। তেখেতৰ অমূল্য দানৰ স্বাক্ষৰ কালৰ বুকুত অক্ষুন্ন হৈ ৰৈ থাকিব। আজি তেখেতৰ পবিত্ৰ স্মৃতিত চুটোপা চকুলোৰে আমি ভগৱানৰ ওচৰত তেখেতৰ, আত্মাৰ সদগতি কামনা কৰিলো।

### অশ্রু অঞ্জলি বিহগী কবি ৰঘুনাথ চৌধুৰীৰ চিৰ সেউজীয়া স্মৃতিত ঃ

"জ্বলিছে দূৰত সউ প্ৰলয়ৰ শিখা<br>
ধৰিছে কি ৰূপ বিতোপন!<br>
সেয়ে মোৰ ফুলশয্যা ৰক্তকমলৰ<br>
লম তাত অনন্ত শয়ন।"

বাস্তৱ জীৱনৰ নিৰ্য্যাতনে কবিৰ গোটেই জীৱনটো আৱৰি আছিল। অতি সৰু কালৰ পৰা এটা এটাকৈ কবিয়ে কেৱল লাভ কৰিলে বাস্তৱৰ কঠোৰ আঘাত। মাক, ভায়েক, ককায়েক, উন্মাদ পিতৃ সকলোকে হেৰুৱাই কবি চিৰদিন অকলশৰীয়া হৈ ৰ'ল। পাৰ্থিব জীৱনৰ এনে নিষ্ঠুৰতাৰ পৰা পলাবলৈ কবিয়ে আশ্ৰয় ললে প্ৰকৃতিৰ সেউজীয়া কোমল কোলাত, জগতখনতকৈ কবিৰ বাবে বেছি আপোন হৈ

পৰিল প্ৰকৃতিৰ জগতখন। 'দহিকতৰা,' 'কেতকী,' 'প্ৰিয় বিহঙ্গিনীৰ' লগত কবিয়ে 'গোলাপ,' 'নৱ মল্লিকা,' 'গিৰি মল্লিকা' ফুলৰ সৌন্দৰ্য্য সানি উৰি যাব খোজে প্ৰকৃতিৰ চিৰ সুন্দৰৰ দেশলৈ—য'ত মানৱীয় দুখানুভূতিয়ে চুব নোৱাৰে। কবিৰ শান্ত, কোমল কবি-অন্তৰ যেন প্ৰকৃতিৰ দৰেই সুন্দৰ। সেইবাবে প্ৰকৃতিয়েই আছিল 'বুকুৰ বান্ধৈ,' —'প্ৰিয়া'। কিন্তু, চিৰ পলায়ন বাদী কবিৰ মনতো কেতিয়াবা ভাব হৈছিল জন্ম, মৃত্যুৰ ৰহস্যৰ কথা। প্ৰকৃতিৰ জগতখনেও হয়তো কেতিয়াবা তেওঁৰ বেদনাই হৃদয়ত প্ৰশান্তি আনিব নোৱাৰিছিল। সেই সময়ত তেওঁ "আৰু নো কিমান দিয়া বেদনাৰ বোজা" বুলি ভাগৰি পৰি নিজে নিজে ৰচনা কৰিছিল মৃত্যুৰ কোলাত ৰক্তকমলৰ ফুলশয্যা। কবি যেন ভাগৰি পৰিছিল……। সঁচাকৈয়ে কবিৰ ভাগৰ লাগিছিল। সেয়েহে ৰক্তকমলৰ ফুল শয্যাত অনন্ত শয়নৰ মাজেদি চিৰ সুন্দৰৰ দেশলৈ, চিৰদিনৰ পাৰ্থিব জগতৰ সকলো যাতনাৰ পৰা মুক্ত হৈ তেওঁ গুচি গ'ল। প্ৰকৃতি থাকি গ'ল। নিত্য নতুন সৌন্দৰ্য্যৰ সম্ভাৰেৰে প্ৰকৃতি চিৰদিনেই সুন্দৰ হৈ থাকিব। প্ৰকৃতিৰ বুকুত চিৰদিনেই 'মৰমৰ পখি'য়ে গান গাব, অজস্ৰ পুষ্প সম্ভাৰেৰে পুষ্পিতা হব, কিন্তু প্ৰকৃতিক 'মৰমী বন্ধু' বুলি সাৱটি লবলৈ বিহগী কবি যে আৰু নাই!

## *অগ্নিকবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ মৃত্যু স্মৃতিত :*

"মই কাল-বিজয়ী বিপ্লৱী  
মই কাল-বিনাশী তাণ্ডৱী,  
আজি বিপ্লৱ তোলোঁ ক'ত?  
মই তাণ্ডৱ তোলোঁ ক'ত?  
সৃষ্টিৰ স্নায়ু ধূনাধুন কৰি উতলি উঠিছে বিপ্লৱ মোৰ  
উতলি উঠিছে বিপ্লৱ,  
ব্ৰহ্মাণ্ডৰ মেৰু প্ৰকম্পি জাগিছে দাৰুণ তাণ্ডৱ মোৰ  
জাগিছে দাৰুণ তাণ্ডৱ।"

কবিতাৰ জুইৰে বিপ্লৱৰ অগ্নি জলাই কবিয়ে নৱ-জাগৰণ আনিব বিচাৰিছিল। কবি যেন নিজে এক কালজয়ী বিপ্লৱ। কিন্তু চিৰ-তৰুণ কবিৰ অন্তৰতো জীৱনৰ ৰহস্যাই তোলপাৰ লগাইছিল। জীৱনৰ বিভিন্ন স্তৰৰ মাজেদি তেওঁ ভগৱানৰ দৰ্শন

লাভ কৰিছিল । 'তুমি' আৰু 'বীণা' কবিৰ অনন্ত প্ৰেমৰ স্বাক্ষৰ । তৰুণ কবিয়ে চিৰ সুন্দৰৰ সন্ধান কৰিছিল আৰু বিপ্লৱৰ মাজেদি সেই সৌন্দৰ্য্যক চিৰস্থায়ীৰূপে স্থাপন কৰিব বিচাৰিছিল । তেওঁ কবিতাৰ স্ফুলিঙ্গেৰে অনাচাৰ পুৰি নাশ কৰিব বিচাৰিছিল । কিন্তু সেই চিৰ তৰুণ কবিৰ জীৱন মৰণ একাকাৰ কৰিব খোজা দুৰ্জ্জয় সিংহনাদ চিৰদিনৰ বাবে নিমাত হৈ গ'ল । কবিৰ কণ্ঠ স্তব্ধ হৈ গ'ল, কিন্তু সেই কণ্ঠৰ ধ্বনি যুগযুগৰ বাবে অসমৰ তৰুণ দিনৰ প্ৰেৰণাৰূপে হয়তো শ্বাশ্বত হৈ ৰব ।

## *নকুল চন্দ্ৰ ভূঞাঁৰ পৰলোকগমণত ঃ*

সৌ সিদিনা মাথোন ডিব্ৰুগড়ত বহা অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিবেশনত সভাপতিৰ আসন শুৱনি কৰি, পিচৰ সাহিত্য সভালৈ অপেক্ষা নকৰি নাট্যকাৰ ভূঞাঁদেৱ চিৰদিনৰ বাবে আঁতৰি গ'ল । পুৰণি অসম বুৰঞ্জীৰ আলম লৈ তেওঁ কেবাখনো বুৰঞ্জীমূলক নাটক ৰচনা কৰি ঐতিহ্যময় অসমীয়া নাটকৰ ভৰাল চহকী কৰিছিল । অসম সাহিত্য সভাৰ সভাপতিৰ অমূল্য আসনত তেওঁক যে অধিষ্ঠিত কৰা হ'ল—এয়ে আজি আমাৰ বাবে শান্তনা ।

## *দৈৱচন্দ্ৰ তালুকদাৰৰ মৃত্যুত ঃ*

নাট্যকাৰ আৰু ঔপন্যাসিক হিচাবে অসমীয়া সাহিত্যত অবিহনা যোগাওঁতা দৈৱচন্দ্ৰ তালুকদাৰ আজি ইহ জগতত নাই । তেখেতৰ মৃত্যুত অসমীয়া সাহিত্যৰ অপূৰণীয় ক্ষতি হ'ল ।

# সম্পাদকীয়

## প্ৰীতিৰ সুঁতি ৰোধাৰ আয়োজন ॥
## সংহতিৰ ক্ষেত্ৰত বাধা ॥

প্ৰস্তাৱৰ সংক্ৰান্তত ভাৰত চৰকাৰে গোটেই
অসম ৰাজ্যখনক পুনৰ গঠন কৰা প্ৰস্তাৱৰ সংক্ৰান্তত ভাৰত চৰকাৰে গোটেই
অসম ৰাজ্যখনক পুনৰ গঠন কৰা প্ৰস্তাৱৰ পিচত অসমৰ বিভিন্ন ৰাজনৈতিক
প্ৰশ্নটো "ৰাষ্ট্ৰীয় মতামতৰ" ভিত্তিত লোৱা সিদ্ধান্তৰ পিচত অসমৰ বিভিন্ন ৰাজনৈতিক
মহলত নানা প্ৰতিক্ৰিয়া হোৱা দেখা গৈছে। ৰাজ্যৰ মুখ্য ৰাজনৈতিক দল কংগ্ৰেছ
মহলে ভাৰত চৰকাৰৰ শেহতীয়া সিদ্ধান্তত সন্তুষ্ট হব পৰা নাই। নোৱাৰাটো
স্বাভাৱিক। কেন্দ্ৰীয় চৰকাৰে আমাৰ পাৰ্ব্বত্য সমস্যাটো নিজে মীমাংসা কৰিব
নোৱাৰি এটা অবাস্তৱ নীতি গ্ৰহণ কৰিছে যাৰ ফলত সংসদৰ বিৰোধীদল সমূহে
সৰ্ব্বদলীয় পাৰ্ব্বত্য ৰাজ্যৰ দাবী গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব পাৰে।

অসমৰ আন আন ৰাজনৈতিক দল কেইটাই অসমৰ অখণ্ডতাৰ খাতিৰত
পাৰ্ব্বত্য জিলা কিখনক অধিক স্বায়ত্ত শাসনৰ অধিকাৰ দি মেহটা কমিটিৰ প্ৰস্তাৱৰ
সপক্ষে মত দিছে। সৰ্ব্বভাৰতীয় পৰ্য্যায়ত সংসদৰ বিৰোধীদল কেইটাই কি নীতি
লয় তাক সম্প্ৰতি জনা নেযায়। আনহাতে সংসদী কংগ্ৰেছদলে ৰাজ্যখনৰ পুনৰগঠন
সংক্ৰান্তত কি মত দিয়ে তাক সদ্যহতে কোৱা টান। অসম সম্পৰ্কে সংসদৰ সদস্য
সকলে ৰাজ্যখনৰ পৰিস্থিতিৰ সম্যক গম নাপায়। পাৰ্ব্বত্য ৰাজ্য গঠনৰ প্ৰস্তাৱ যদি
ভাৰত চৰকাৰে গ্ৰহণ কৰে তাৰ প্ৰতিক্ৰিয়া স্বৰূপে বিভেদমুখী আন্দোলনে গা কৰি
উঠিব। অসমৰ ৰাজনৈতিক দল কেইটাই দলীয় মনোভাব নলৈ অসমৰ বিভাজনৰ
বিৰুদ্ধে, প্ৰীতিৰ সুঁতিক ৰোধ কৰাৰ বিৰুদ্ধে যুটীয়াভাৱে আন্দোলন কৰিবলৈ
সিদ্ধান্ত লৈছে।

আৰু এটা কথা, যদি পাৰ্ব্বত্য ৰাজ্যৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ
নকৰি খাছী-জয়ন্তীয়া আৰু গাৰোপাহাৰ জিলা দুখন লৈ "কেন্দ্ৰীয় শাসিত অঞ্চল"ৰ
মৰ্য্যাদা দিলেও পাৰ্ব্বত্য নেতা সকলৰ আপত্তি নেথাকিব। সেয়ে হলেওঁ অসমৰ
বিভাজনৰ গতিৰোধ নহৈ সংহতিৰ ক্ষেত্ৰত অপূৰণীয় ক্ষতি হব।

## সুন্দৰৰ পৃথিবীত আশাৰ আলোক ॥
## জ্যোতি চিত্ৰবন ॥

১৯৫১ চনৰ ১৭ জানুৱাৰী আৰু ১৯৬৮ চনৰ ১৭ জানুৱাৰী। দুয়োটা দিনেই সুন্দৰ পূজাৰী, কলা প্ৰেমী অসমবাসীৰ বাবে স্মৰণীয় দিন। ১৯৫১ চনৰ ১৭ জানুৱাৰীত সুন্দৰৰ জ্যোতিৰে জ্যোতিস্মান ৰূপৰ পোহৰেৰে উদ্ভাষিত অসমৰ সংস্কৃতিৰ আকাশৰ ধ্ৰুবতৰা ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ এই পৃথিবীৰ পৰা চিৰবিদায় লৈ আঁতৰি গৈছিল অসমৰ কলাপ্ৰেমী ৰাইজক কন্দুৱাই। আৰু ১৯৬৮ চনৰ ১৭ জানুৱাৰীত অসমৰ কলাপ্ৰেমী সকলৰ মুখত আশাৰ হাঁহি চতিয়াই অনুস্থানিক ভাৱে মুকলি কৰা হ'ল অসমৰ প্ৰথম কথ ছবি 'ষ্টুডিঅ'টো'। ৰূপকোৱঁৰ জ্যোতি প্ৰসাদৰ মৃত্যু বাৰ্ষিকীৰ দিনা গুৱাহাটীৰ কাহিলী পাৰাত 'ষ্টুডিঅ' উদ্বোধন কৰা হল। এই অনুস্থানটো চৰকাৰী খণ্ডত স্থাপিত হিচাবে ভাৰতৰ ভিতৰতেই প্ৰথম। এই দিশৰ পৰা অনুস্থানটোৰ এটা বিশেষত্ব আছে। অসম ৰাজ্যতকৈ বিত্তীয় ক্ষেত্ৰত চহকী আন কেবাখনো ৰাজ্য আছে; কিন্তু কোনো ৰাজ্যিক চৰকাৰে চৰকাৰী খণ্ডত ষ্টুডিঅ নিৰ্ম্মান কৰা নাই। অসম চৰকাৰৰ বিত্তীয় অৱস্থা স্বচ্ছল নোহোৱা স্বত্বেও সদ্যহতে পোন্ধৰ লাখ টকা খৰছ কৰি ষ্টুডিঅ' নিৰ্ম্মান কৰি অসম চৰকাৰে কলাপ্ৰেমী ৰাইজৰ চিঞৰৰ মূল্য দিলে। কিন্তু এটা অনুস্থান স্থাপন হোৱাটোৱে অনুস্থানৰ উদ্দেশ্য সাধন কৰিবলৈ উৎসাহী লোকে সক্ৰীয় ভাবে কৰ্ত্তব্য পালন কৰিব লাগিব। সেয়েহে কাহিলী পাৰাত নৱনিৰ্মিত ষ্টুডিঅ'টোৱে চৰকাৰতকৈ কলা শিল্পী সকলৰ দায়িত্ব বৃদ্ধি কৰিছে।

ষ্টুডিঅ'ৰ নামাকৰণ সম্পৰ্কে আমি কলাপ্ৰেমী ৰাইজৰ মতে একমত। যি জন পুৰুষে প্ৰথম অসমীয়া কথাছবি উলিয়াই নানা গঞ্জনা নিৰৱে সহিও ইতিহাস ৰচি থৈ গ'ল সেইজন ৰূপকোৱঁৰৰ নামেৰে ষ্টুডিঅ'টোৰ নাম 'জ্যোতি চিত্ৰ বন" ৰখাটো আমি বিচাৰো।

## বন্ধ আৰু হৰতাল

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত মহাত্মা গান্ধীয়ে ধৰ্মঘট, অনশন, চৰকাৰৰ লগত অসহযোগ, বিদেশী বস্তু বৰ্জন আদিক অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছিল। যিহেতু গান্ধীজীৰ আন্দোলন অহিংস নীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল, বিদেশী চৰকাৰৰ

ওচৰত কেচোঁাদি ভাৰতক স্বাধীন কৰা কাৰ্য্যত তেনে ব্যৱস্থা যি দৰে আছিল অভিনৱ সেই দৰে এই অস্ত্ৰবোৰৰ প্ৰয়োগ আমাৰ দেশৰ স্বাধীনতা আন্দোলনক বহুখিনি আগবঢ়াই নিছিল । দেশ স্বাধীন হোৱাৰ পিচত ধৰ্ম্মঘট, অনশন, 'বন্ধ' আদিৰ আৱশ্যকতা সম্পৰ্কে বিভিন্ন ৰাজ নৈতিক দল সমূহে চিন্তা কৰা নাই যেন অনুমান হয় । বৰঞ্চ আজি কেইবছৰ মানৰ পৰা আমাৰ দেশত 'বন্ধ', ধৰ্মঘট, হৰতাল আদিৰ প্ৰকোপ বাঢ়িছে । সৰু বৰ সমস্যাৰ অজুহাতত এইবোৰৰ উজান উঠিছে । আনকি কোনো ৰাজ্যত ক্ষমতাত অধিষ্ঠিত সংযুক্ত অকংগ্ৰেছী দলবোৰও তেওঁলোকৰ নিজৰ চৰকাৰৰ সমৰ্থনত 'বন্ধ' হৰতাল পালন কৰিছে । ভাৰতীয় ৰাজ নীতিত এইটো নতুন কথা ।

গনতান্ত্ৰিক দেশত ধৰ্মঘটৰ আৱশ্যক নাই বুলি কব নোৱাৰি । প্ৰকৃততে ধৰ্মঘট গনতন্ত্ৰৰ অন্যতম আহিলা । আৰু এটা কথা কিছুমান সহজে সমাধান কৰিব পৰা কথাৰ প্ৰতিও চৰকাৰৰ উদাসীনতাত ধৰ্মঘট প্ৰয়োজনীয় হৈ পৰে । কিন্তু দুবৃত্তই লুট পাটত সুবিধা লব পৰা 'বন্ধ', ধৰ্মঘটে গনতন্ত্ৰত কলঙ্কহে সানে । যাৰ জীৱন্ত সাক্ষী গুৱাহাটীৰ ২৬ জানুৱাৰীৰ ঘটনা ।

## সাহিত্য আকাশৰ আৰু তিনটি তৰা খহিল ।

স্বৰ্গীয় ভূঞা ॥

অসমৰ অন্যতম বিশিষ্ট সাহিত্যিক শ্ৰীনকুল চন্দ্ৰ ভূঞাৰ বিয়োগত অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত এটা ডাঙৰ ক্ষতি হ'ল । আমাৰ ডিব্ৰুগড়ত বহা সাহিত্য সভা অধিবেশনত সভাপতি আছিল ভূঞা দেৱ । তেখেতৰ অভিভাষণত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ আগত উদ্ভৱ হোৱা সমস্যাবোৰৰ বিষয়ে আলোচনা কৰি সাহিত্যৰ ক্ষেত্ৰত তেখেতৰ অনাড়ম্বৰ আৰু আশাশুধীয়া সেৱাৰ চিনাকী দিছিল । আজীৱন চাহ বাগিচাত কাম কৰিও কোনো প্ৰচাৰ ধৰ্মী মাধ্যমত দেখা নিদিয়াকৈয়ে স্বৰ্গীয় ভূঞাই একেৰাহে কবি, জীৱনী লিখক, নাট্যকাৰ, চুটী গল্প লিখক হিচাবে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল ।

অসমীয়া ভাষা সাহিত্যত স্বৰ্গীয় নকুল চন্দ্ৰ ভূঞাৰ নাম অমৰ হৈ থাকিব ।

স্বৰ্গীয় চৌধুৰী ॥

অসমীয়া সাহিত্য আকাশৰ এটি উজ্জ্বল তাৰকা ৰঘুনাথ চৌধুৰী দেৱৰ বিয়োগত সাহিত্য আকাশত এটি পুৰাব নোৱাৰা ক্ষতি হ'ল। বিহগী কবি চৌধুৰীদেৱ অসমীয়া সাহিত্যলৈ বহুতো দান দি গৈছে। যাৰ তুলনা নাই। তেখেতৰ নাম অসমীয়া সাহিত্যৰ আকাশত চিৰদিন সোণালী আখৰেৰে লিখা থাকিব।

স্বৰ্গীয় তালুকদাৰ ॥

অসমীয়া সাহিত্য আকাশৰ আন এটি উজ্জ্বল তাৰকা দৈৱচন্দ্ৰ তালুকদাৰৰ মৃত্যুত আমাৰ সাহিত্যৰ ক্ষেত্ৰত এটা ডাঙৰ ক্ষতি হল। তেখেতে অসমীয়া সাহিত্যলৈ বহুতো দান দি গৈছে। অসমীয়া সাহিত্যৰ আকাশত স্বৰ্গীয় তালুকদাৰ চিৰদিন অমৰ হৈ থাকিব।

## আমাৰ কথা ঃ

প্ৰত্যেক বছৰে প্ৰকাশ হৈ থকা আমাৰ কলেজ আলোচনীৰ প্ৰত্যেক সংখ্যাতেই আমাৰ কলেজৰ অভাৱ অভিযোগৰ অন্ত আজিও নহ'ল। কলেজৰ অধ্যাপকৰ সংখ্যা প্ৰয়োজনতকৈ কম হোৱাত শিক্ষা দিয়া আৰু শিক্ষা লোৱা উভয় ক্ষেত্ৰতে অসুবিধাৰ সৃষ্টি হৈছে। একেৰাহে বহুতো ক্লাচ লব লগা হেতুকে অধ্যাপক সকলে ক্লান্তি-জড়তা অনুভৱ কৰে, সেইবাবে তেখেতসকলৰ বহুমূলীয়া শিক্ষা দানত আকৰ্ষণ হেৰুৱাই ছাত্ৰ-ছাত্ৰী অমনোযোগী হোৱাই স্বাভাৱিক। গতিকে আমাৰ কলেজখনৰ দৰে এখন যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী থকা কলেজৰ অধ্যাপকৰ সংখ্যা বঢ়োৱা নিতান্তই প্ৰয়োজনীয়।

***জ্ঞান বিজ্ঞানৰ আলোচনা ঃ –***

ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষতাৰ বাবে কেৱল পাঠ্য পুথিৰ ভিতৰতে জ্ঞানৰ গণ্ডী সীমিত ৰখা উচিত নহয়। সেইবাবে কেৱল পাঠ্য-পুথিক লৈয়ে ব্যস্ত নেথাকি, মাজে মাজে বিভিন্ন বিষয়ৰ ওপৰত আলোচনা চক্ৰ, তৰ্ক-প্ৰতিযোগিতা আদি হোৱা উচিত। কিন্তু আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলক এনে বিষয়ত উৎসাহী দেখা নেযায়। এইয়া ইউনিয়নৰ দোষ নে ছাত্ৰ-ছাত্ৰীৰ

মানসিক বিকাশৰ অভাৱ বুজা নেযায়। অসমীয়া অনার্চৰ এমুঠি ছাত্র ছাত্রীয়ে লগ হৈ মাজে মাজে অসমীয়া সাহিত্য অধ্যয়ন চক্র' পাতিছিল যদিও, তাত সৰহ সংখ্যক ছাত্র ছাত্রীৰ উৎসাহৰ অভাৱ দেখা গ'ল আৰু সেই 'আলোচনা চক্র' বিলুপ্তিৰ পথত হেৰাই যোৱা দেখা যায়।

## লাইব্রেৰী :—

অত্যাধিক ছাত্র ছাত্রীৰে ভৰা আমাৰ কলেজ লাইব্রেৰীত ছাত্র ছাত্রীৰ সংখ্যা অনুপাতে কিতাপৰ অভাৱ পৰিলক্ষিত হয়। ছাত্র ছাত্রীৰ উৎসুক মনৰ পৰিপূৰক ৰূপে আমাৰ কলেজ লাইব্রেৰীয়ে কিতাপৰ যোগান ধৰাত সফল হব পৰা নাই। কিতাপৰ সংখ্যা বঢ়োৱা নিতান্তই প্রয়োজনীয়।

ইয়াৰ উপৰিও কলেজৰ ভিতৰ চ'ৰাত লক্ষ্য কৰিলে দেখা যায় যে, খেল পথাৰ, কলেজ কেন্টিন, কমন ৰূম, কলেজ হোষ্টেল আদিৰ আশানুৰূপ উন্নতি হোৱা নাই। বিশেষকৈ কলেজৰ নিজা খেলপথাৰ আৰু কেন্টিনৰ অভাৱ অতি পৰিতাপৰ কথা।

সৰ্ব্বশেষত মোৰ এবছৰীয়া অভিজ্ঞতাৰে মোক আমাৰ কলেজ আলোচনীৰ সম্পাদিকাৰূপে স্বীকৃতি দি যিসকল বন্ধু বান্ধবীয়ে অনুপ্রেৰণা দিছিল সেই সকলৰ প্রতি মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক এনে এটা সুবিধা দিয়া বাবে সেইসকলৰ ওচৰত মই চিৰদিন ঋণী হৈ থাকিম। তাৰপিচত ব্যক্তিগত কামৰ অৱকাশত বহুতো বহুমূলীয়া সময় নষ্ট কৰি মোক উৎসাহ উদ্দীপনা যোগালে, শ্রদ্ধেয় শিক্ষাগুৰুসকল অধ্যাপক তফজ্জুল আলি, অধ্যাপক ভুবন চুতীয়া, অধ্যাপক যাদব ধকুৱা, অধ্যাপক ডিম্বেশ্বৰ চলিহা, অধ্যাপক প্রভুদয়াল সিং, অধ্যাপক পৰীক্ষিত হাজৰিকা, অধ্যাপক মন্তোষ চক্রবর্ত্তীদেৱে। তেখেত সকলৰ প্রতি মোৰ বিনম্র কৃতজ্ঞতা আজীৱন থাকিব। ইয়াৰ উপৰিও আমাৰ কলেজৰ ভূতপূৰ্ব্ব অধ্যক্ষ নমস্য ডঃ যোগীৰাজ বসুদেৱৰ প্রতি মোৰ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিলো। তেখেতৰ বহুমূলীয়া প্রবন্ধৰে মোৰ সম্পাদনাৰ আলোচনীৰ মূল্য বৃদ্ধি হৈছে বুলি মই গৰ্ব্ব কৰিব পাৰো।

ইয়াৰ উপৰিও সম্পাদনা সমিতিত উপদেষ্টা হিচাবে অধ্যাপক প্রফুল্ল ভট্টাচাৰ্য্যদেৱৰ ওচৰত মই সুজিব নোৱাৰা ধাৰত ধৰুৱা। ছাত্র বন্ধু হেমন্ত দত্ত

জ্যোতি কাকতি, মনোৰমা বৰুৱা, বিদ্যা শৰ্ম্মা আৰু তৰুণ গগৈৰ প্ৰতি মই মোৰ আন্তৰিক কৃতজ্ঞতাৰে কৃতজ্ঞ।

### বেটুপাতৰ শিল্পী :—

আমাৰ কলেজৰ প্ৰাক্তন ছাত্ৰ শ্ৰীছত্ৰ ৰঞ্জন ভূৰৰা ককাইদেৱে তেওঁৰ প্ৰতিভাপূৰ্ণ বিকাশৰ ৰহণ সানি বেটুপাত অঙ্কণ কৰি দি মোক যথেষ্ট সহায়-সহযোগ কৰিলে। তেওঁৰ ওচৰত মই চিৰকৃতজ্ঞ হোৱাৰ উপৰিও তেওঁৰ শিল্পী প্ৰতিভাৰ সম্যক প্ৰকাশেৰে জীৱন মহিমামণ্ডিত হবৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধাসহ কৃতজ্ঞতা আৰু শুভেচ্ছা ৰ'ল।

প্ৰুফ আদি চাই সহায় কৰি দিছিল বন্ধু জ্যোতি, হেমন্তদা, ভাইটি তৰুণ, ভন্টি উপমা আৰু পৱনে। ইয়াৰ উপৰিও বহুতো কামত মোক সহায় কৰি দিছিল বান্ধৱী হীৰা, নিৰু, বীণা, প্ৰমীলা, পৰান্নু, স্বৰ্ণ, দীপালি, নিৰু সুপ্ৰভাহঁতে। তেওঁলোকলৈ মোৰ বহুত মৰমকে থাকিল।

লখিমী প্ৰেছৰ গৰাকী শ্ৰীযুক্ত বিপিন শৰ্ম্মা আৰু কৰ্ম্মচাৰী সকলে মোৰ এই আলোচনী ছপোৱাৰ দায়িত্ব লোৱাৰ উপৰিও প্ৰুফ চোৱাত সহায় কৰি দিয়াৰ বাবে তেখেতসৱৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জনালো। নানা কামৰ মাজতো আলোচনীৰ ব্লকবোৰ কৰি দিয়াৰ বাবে গুৱাহাটীৰ Pico Print Private Ltd. গৰাকীলৈ মোৰ ধন্যবাদ থাকিল।

### অমাৰ্জ্জনীয় দোষ :—

সময়মতে আলোচনীখন প্ৰকাশৰ পোহৰলৈ আনিব নোৱাৰাটো মোৰ সচাঁকৈয়ে এটা অমাৰ্জ্জনীয় দোষ বুলি মই স্বীকাৰ কৰিছো। মোৰ এই অনিচ্ছাকৃত দোষৰ বাবে ছাত্ৰ-ছাত্ৰী বন্ধুসকলৰ ওচৰত ক্ষমা বিচাৰিবলৈও মই লজ্জিত হৈ পৰিছো। ইয়াৰ উপৰিও আলোচনীখনত হয়তো মোৰ অজ্ঞতাৰ বাবে বহুতো দোষ ত্ৰুটি ৰৈ গৈছে, সেইখিনি মোৰ পঢ়ুৱৈ বন্ধুসকলে নিজগুণে উদাৰভাবে ক্ষমা কৰিব বুলি আশা ৰাখিলো। অৱশেষত মোৰ মৰমৰ কানৈ কলেজ আৰু কানৈ কলেজ আলোচনীৰ সুন্দৰ ভৱিষ্যত কামনা কৰি সকলোলৈকে মোৰ নম্ৰ শ্ৰদ্ধাৰে—

সম্পাদিকা—
কল্পনা দত্ত।

সেই কালিকা লগা মাছটো।

বিহুগীতত এভুমুকি।

অগ্রগতিৰ পথত ভাৰতীয় বিজ্ঞান।


হেমবৰুৱাৰ কবিতাত।

শায়ৰ আৰু গালিব।

জীৱৰ বংশানোক্রমিক গুণৰ ৰহস্য।

মিছিং ঐ-নিতম (প্রেম-প্রণয়) গীতৰ সাহিত্যিক সৌন্দর্য্য।

বৰদলৈৰ ডালিমী।



অধ্যাপক ডিম্বেশ্বৰ চলিহা এম্ এছ্ চি।

তুলসী প্ৰসাদ শইকীয়া।

মণিৰাম দিহিঙ্গীয়া।

মঃ আবুল বছৰ'ৰব।

মঃ আক্রামুল ইচলাম।

কুণ্ডিল কুমাৰ চুতীয়া।

ৰামনাথ দ'লে।

অধ্যাপক পৰীক্ষিত হাজৰিকা এম, এ।

# সেই কালিকা লগা মাছটো

—ভিম্বেশ্বৰ চলিহা

কোনোবা এজন মানুহৰ মৰাশটো যদি দাহ কৰি অহাৰ কিছুদিনৰ মূৰত সেই একেজন মানুহকে কৰবাত লগ পোৱা যায়, দেখাজনৰ মনৰ অৱস্থা কেনে হ'ব তাক অনুমান কৰা বোধহয় কঠিন নহ'ব। তেওঁ কোনোবা ভূত জৰা বেজৰ কায চাপিব, নহয় তেওঁ মূৰ্চ্ছা যাব। ঠিক তেনে এটা অৱস্থাৰে সৃষ্টি হৈছিল প্ৰাণীবিজ্ঞান জগততো।

**মাছ ভূত ঃ** ১৯৩৮ চনৰ ডিচেম্বৰ মাহৰ ভাৰত ঠেটুৰৈয়ে ধৰা দিন এটা। দক্ষিণ আফ্ৰিকাৰ পুবলণ্ডন নামেৰে বন্দৰটিত হুলস্থূল। বহু ৰাইজৰ সমাবেশ। কাৰণটো হল—এখন জালোৱা জাহাজত এটা বিৰাট কায়ৰ অচিন মাছে ধৰা দিলে। ১২৭ পাউণ্ড ওজনেৰে সেই মাছটোৰ দৈৰ্ঘ্য আছিল পাঁচফুট। ধৰা হৈছিল জলপৃষ্ঠৰ ২৪০ ফুটমান তলৰ পৰা। মাছটোৰ বৰণ আছিল গাঢ়নীলা; বাকলি বিলাক ডাঙৰ, ঘূৰণীয়া; কোৱাৰী দুটা ওলোৱা; পাখী কেইখন শকত আৰু শক্তিশালী। আচৰিত গুণসম্পন্ন এই মাছটো দেখি দৰ্শক-বৃন্দৰ বহুতৰ পৰা বহুত উপদেশ আহিল। কোনোৱে ক'লে মাছটো নিশ্চয় মাছৰ দেৱতা হ'ব; গতিকে পূজা পাটল দিয়া উচিত। কোনোৱে কলে এনে এটা কালিকা লগা মাছ পুনৰ সাগৰত মেলি দিয়াই উচিত হ'ব। মাছ মৰীয়া জন বিপদত পৰিল। পাছে তেওঁ কাৰো কথা নুশুনি মাছটো স্থানীয় সংগ্ৰহালয়লৈ পঠাই দিলে। মাছটো দেখি সংগ্ৰহালয়ৰ তত্বাৱ-ধানকাৰী গৰাকীও বিমোৰত পৰিল। তেওঁ মাছটোৰ এটি হুবহু বৰ্ণনা এখনি ছবিসহ দক্ষিণ আফ্ৰিকাৰ গ্ৰেহেমছ টাউনত অৱস্থিত ৰোদছ বিশ্ববিদ্যালয়ৰ মৎস্যবিশেষজ্ঞ অধ্যাপক জে, এল, বি স্মিথলৈ পঠাই দিলে। অধ্যাপক স্মিথে ছবি চাই আৰু বৰ্ণনা পঢ়িয়েই ক্ষান্ত নাথাকিল। তেওঁ মাছটো চাবলৈ সংগ্ৰহালয় পালেগৈ।

***লেটিমেৰিয়া নামাকৰণঃ*** মাছটোৰ আকাৰ আৰু দেহৰ গঠন প্ৰণালী দেখি অধ্যাপকৰ বুজিবলৈ সৰহপৰ নালাগিল। তেওঁ বুজি উঠিল যে ৬০ নিযুত বছৰৰ আগতে পৃথিৱীৰ পৰা লুপ্ত হল বুলি ধৰি লোৱা 'চিলাকেন্থ' (Coelacanth) নামৰ মাছ জাতৰে ইও এটা বংশধৰ। মাছটো দেখি তেওঁৰ মুখৰ পৰা মাত্ৰ এষাৰ কথা ওলাল—"ডাইন'-চাৰ্ভৰ এটা ৰাস্তাত চৰি ফুৰা দেখা হলেও মই আচৰিত নহলোহেঁতেন"। অধ্যাপক স্মিথে মাছটোৰ নাম দিলে—'লেটিমেৰিয়া চালুম্‌নি' (Latimaria Chalumnae)। কাৰণটো হল সংগ্ৰহালয়ৰ তত্বাৱধানকাৰী গৰাকীৰ নাম আছিল লেটিমাৰ আৰু যিখন নৈৰ মুখত এই মাছটো পোৱা গৈছিল সেই নদীখনৰ নাম আছিল চালুম্‌নি।

***জীৱন্ত জীৱাশ্মঃ*** কোনো এবিধ প্ৰাণিয়ে পৃথিৱীৰ পৰা বিদায় মাগিলেহে সিহঁতক অধ্যয়ন কৰিবলৈ জীৱাশ্মৰ প্ৰয়োজন হয়। জীৱাশ্মৰ সাধাৰণতে জীৱন্ত ৰূপ নাথাকে। কিন্তু কি আচৰিত এই চিলাকেন্থ নামৰ মাছজাতৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম ঘটিছে। প্ৰাণি বিজ্ঞানীসকলৰ মতে এই মাছ-জাতৰ স্থান ক্ৰমবিকাশৰ জখলাত তেনেই তলত। তদুপৰি এই মাছজাত কেতিয়াবাই লুপ্ত হল বুলিও বিজ্ঞানী সকলে স্বীকাৰ কৰি আহিছে। বিভিন্ন অঙ্গ প্ৰত্যঙ্গৰ খৰকৈ বিকাশ হোৱাৰ কাৰণেই এই প্ৰাণি জাতৰ মৃত্যু ঘটিছে বুলি এটি সৰ্ব্বসন্মত বৈজ্ঞানিক মতবাদো আছে। এনে এটি মতবাদৰ ওপৰতে নিৰ্ভৰ কৰি এই মাছজাতৰ জীৱাশ্ম উদ্ধাৰ কৰা হৈছে আৰু অধ্যয়নো চলোৱা হৈছে। তেনে এটা অৱস্থাত মাছজাতৰ জীৱন্ত ৰূপ এটাৰ আৱিৰ্ভাৱে প্ৰাণি বিজ্ঞানৰ সকলো বৈজ্ঞানিকক তধা লগাইছে।

চিলাকেন্থ মাছৰ পুনৰাবিষ্কাৰ প্ৰাকৃতিক বিজ্ঞানৰ বুৰঞ্জীত এক অভূতপূৰ্ব্ব ঘটনা। এতিয়ালৈকে জীৱাশ্মৰ জীৱন্ত ৰূপ পোৱা প্ৰাণী মাত্ৰ এইটিয়েই। বহুতে অৱশ্যে এতিয়া এনেকৈ কব খোজে যে 'একালত এই মাছ জাতৰ সংখ্যা যে কমি আহিছিল—ই ধ্ৰুৱপ। কিন্তু তাৰে দুই এটা মাছে অশেষ কষ্টৰে জীৱন সংগ্ৰামত যুজি আহিছে আৰু দুই এটা বংশধৰো এৰি আহিছে। আনহাতে এঠাইত ডুব মাৰি আন এঠাইত ওলোৱাৰ দৰে মানুহৰ চকুতো ধুলি দি আহিছে।

প্ৰথম মাছটো পোৱাৰ পাছত বিজ্ঞানী-সকলৰ লোভ আৰু বাঢ়িল। তেওঁলোকৰ চিন্তা হল—মাছটো আৰু আছেনেকি? পৃথিৱীৰ বেলেগ বেলেগ ঠাইৰ সাগৰ নদী হ্ৰদ সকলোতে ইয়াৰ ওপৰত অনুসন্ধান চলিল। বিশ্বৰ সকলো প্ৰাণি-বিজ্ঞানীয়ে ইয়াত যোগ দিলে। কিন্তু চৌধটা বছৰে একো গম গতি পোৱা নগল। চৌধ বছৰৰ পাছত ১৯৫২ চনত চিলাকেন্থ জাতৰ দ্বিতীয় মাছটোৱে মাদাগাস্কাৰৰ ওচৰৰ এখন গাঁৱৰ বজাৰত ধৰা দিলে। সুধি পুছি জনা গল যে মাছটো হেনো কেইবা দিনৰো আগতে ৩০০ মাইল মান দূৰৰ কমৰ নামে এটা দ্বীপত ধৰা হৈছিল। তেতিয়াৰে পৰা এতিয়ালৈকে কমৰ দ্বীপৰ আশে পাশে

প্ৰায় বাৰটা মান চিলাকেন্থ জাতীয় মাছ ধৰা পৰিছে। সিহঁতৰ বেচি ভাগেই বৰ্ত্তমান পেৰিচৰ থকা জাতীয় প্ৰাকৃতিক সংগ্ৰহালয়টোত ৰখা হৈছে। ইতিমধ্যে পেৰিছতে মাছ কেইটাৰ ওপৰত এটা ভাল অধ্যয়ন প্ৰায় সমাপ্ত হৈছে। বৰ্ত্তমান পৃথিবীৰ সকলো ডাঙৰ সংগ্ৰহালয়তে এই মাছ জাতিৰ হুবহু সাঁচ আছে।

লেটিমেৰিয়া মাছটোৰ যুৰীয়া পাখী-বিলাক স্থলচৰ প্ৰানিৰ ঠেং বিলাকৰ দৰেই বেচ শকত আৰু শক্তিশালী। শৰীৰটোও আছিল বেচ হৃষ্ট পুষ্ট। নেজ পাখীখন আছিল মিহি আৰু পাছফালে জোডা। লাওখোলা পাখী-বিলাকৰ গুৰি আৰু কাণৰ ফুল বিলাক আছিল আচল আষ্টিযুক্ত। আনহাতে শৰীৰৰ বাকী অংশ কোমলাষ্টিৰেই তৈয়াৰী আছিল।

***মাংস ভোজীঃ***— শক্তিশালী কোৱাৰি কেইটাৰে সৈতে লেটিমেৰিয়া মাছটি আছিল মাংসভোজী। সমুদ্ৰৰ মাজত আৰু কাষত থকা পৰ্ব্বত শ্ৰেণীৰ মাজৰ পৰা ই প্ৰাণীবিলাক ধৰি ধৰি আহাৰ হিচাবে খায়। লেটিমেৰিয়া মাছটিৰ খাদ্যনলীত থকা এটি প্ৰাণীৰ চকু দুটাৰ ওজনেই হেনো ১৫ পাউণ্ড আছিল। এই এটা উদাহৰণৰ পৰাই ই কিমান ডাঙৰ প্ৰাণী আহাৰ হিচাবে খায় তাৰ উমান পাব পাৰি।

প্ৰত্নজীৱবিদ্ আৰু মৎস্য বিশেষজ্ঞ সকলৰ মতে লেটিমেৰিয়া মাছটো চিলাকেনথিনি (Caelacanthini) নামৰ এটা পৰিয়ালৰ মাছ। এই পৰিয়ালটিৰ সৃষ্টি হৈছিল ৩৫০,০০০,০০০ বছৰৰ আগতে। তাৰ পাছত এই মাছজাতে পৃথিৱীৰ সকলো ঠাইতে বিয়পি পৰে। জীৱাশ্মবিদ্ সকলৰ মতে ১৫০ নিযুত বছৰৰ আগতে এই মাছ জাত পৃথিৱীৰ সকলো নদ নদী সাগৰতে উপচি পৰিছিল আৰু ৬৫ৰ পৰা ৭০ নিযুত বছৰৰ আগতে পৃথিৱীৰ পৰা লুপ্তও হৈ গৈছিল।

***চিলাকেন্থ আৰু ৰিপিদিছ্-টিয়ান ঃ*** স্থলচৰ প্ৰাণীৰ ঠেঙৰ দৰে শক্তিশালী পাখী থাকিলেও চিলাকেন্থ মাছজাতৰ বিকাশতেই যে স্থলচৰ প্ৰাণীৰ সৃষ্টি হৈছে তাক কোৱা টান। বৰঞ্চ ৰিপিদিছটিয়া নামৰ মাছজাতৰ পৰাহে ৩৫০ নিযুত বছৰৰ আগতেই উভচৰ প্ৰাণীৰ সৃষ্টি হৈছে বুলি বিজ্ঞানী সকলৰ বিশ্বাস। আনহাতে ৰিপিদিছটিয়া নামৰ মাছ জাতৰ লগত চিলাকেন্থ নামৰ মাছ জাতৰ সাদৃশ্যও যথেষ্ট। গতিকে বিজ্ঞানী সকলৰ শেহতীয়া মত এয়ে যে চিলাকেন্থ মাছজাত ৰিপিদিছ্টিয়ান ঠালটোৰে এটা ঠেঙুলী মাত্ৰ। অষ্ট্ৰেলিয়া, আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাত থকা হাওঁ ফাওঁ যুক্ত মাছজাতৰ লগতো চিলাকেন্থ মাছজাতৰ কিছু মিল আছে।

চিলাকেন্থ মাছজাতৰ কেৱল জীৱাশ্মই আজি অতদিনে বিজ্ঞানীসকলৰ মন আকৰ্ষণ কৰি আহিছে। এতিয়া জীৱন্ত চিলাকেন্থে সেই হেপাঁহ আৰু বঢ়াইছে। তাৰ কাৰণ হল উভচৰ প্ৰাণীৰ সৃষ্টিৰ গুৰি বুলি ভবা ৰিপিদিছ্টিয়ান মাছজাত ইতিমধ্যে লুপ্ত হৈ গৈছে। গতিকে ৰিপিডিছ টিয়ান মাছজাতৰ

ওপৰত এটা নিখুত অধ্যয়ন সম্ভৱ নহয়। আনহাতে দেহৰ গঠণ প্ৰণালীৰ ক্ষেত্ৰত চিলাকেন্থ আৰু ৰিপিদিষ্টিয়ান মাছজাতৰ সদৃশ্য অনেক বেচি। ক্ৰমবিকাশৰ ফলত মাছৰ পাখীৰ পৰা কেনেকৈ ঠেঙৰ আৰু ফুলৰ ঠাইত হাওঁ ফাওঁৰ সৃষ্টি হব পাৰে ইত্যাদি অধ্যয়ন কৰিবলৈ ৰিপিদিষ্টিয়ানৰ অভাৱত চিলাকেন্থেই ক্ৰমবিকাশৰ বিজ্ঞানী সকলক যথেষ্ট সমল যোগাইছে। তদুপৰি চিলাকেন্থ মাছজাতৰ কলিজা আৰু পিটুইটেৰী গ্ৰন্থিটোৰ গঠন প্ৰণালীও এনে যে ইয়াৰ অধ্যয়নে ক্ৰমবিকাশৰ পথ আৰু মুকলি কৰি দিছে।

চিলাকেন্থ মাছজাত প্ৰাণীবিজ্ঞানী সকলৰ কাৰণে এটি সাঁথৰ হৈ পৰিছে। মৰিল বুলি ধৰিলোৱা প্ৰাণী এজাতৰ পুনৰাৰ্বিভাৰ প্ৰাণী বিজ্ঞানত নতুন কথা। তথাপি বহুতে এনেকৈয়ে সান্ত্বনা দিব খোজে যে শকত আৰত শৰীৰ, সাগৰৰ গভীৰ তলত বাসস্থান আৰু বিভিন্ন জলীয় তাপৰ তাৰতম্যতাৰ লগত যুজ কৰিব পৰা শক্তি আছিল বুলিয়েই সংখ্যাত কম হলেও মাছজাত তিষ্ঠি আছিল। তদুপৰি পৃথিৱীৰ চাৰিভাগৰ তিনিভাগ জলপৃষ্ঠত মাছ এজাতৰ পোনাতি আছেনে নাই তাক অধ্যয়ন কৰাও সিমান সহজ নহয়। আনহাতে জীৱাশ্মৰ ওপৰত ভিত্তি কৰি কোনো প্ৰানিৰ নমুনা তৈয়াৰ কৰিলে যে তাত ভুল নাথাকে তাক জীৱাশ্মৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা চিলাকেন্থৰ নমুনা আৰু বৰ্ত্তমান আৰ্বিভাৰ হোৱা জীৱন্ত চিলাকেন্থৰ সাদৃশ্যই প্ৰমাণ কৰিছে।

# বিহুগীতত এভুমুকি

—তুলসী প্ৰসাদ শইকীয়া
১ম বাৰ্ষিক ক'লা

পৃথিবীৰ আন আন সাহিত্যৰদৰে অসমীয়া সাহিত্যতো কবিতাই প্ৰথম পাতনি মেলে। প্ৰথম অসমীয়া সাহিত্য হৈছে জন-সাহিত্য বা লোকগীতি। জগতৰ লগত উদ্দেশ্য আৰু বিষয়ৰ সম্বন্ধ স্থাপন কৰি গাৱঁলীয়া চহা কবিয়ে ভাৱৰ মুক্ত প্ৰকাশ কৰে। এই গীত বিলাকত কোনো লিখকৰ নাম পোৱা নাযায়। ই মুখে মুখে চলি আহিছে। গীত-বোৰৰ ৰচনা কালও সঠিককৈ কোৱা টান। এই গীতবিলাক হৈছে অখ্যাত কবিৰ বিখ্যাত ৰচনা। অসমীয়া ভাষাৰ আৰম্ভণীৰ পৰা ৮০০ শ খৃঃ লৈকে এই যুগটোক হেমচন্দ্ৰ গোস্বামীদেৱে "গীতি যুগ" নাম দিছে। নিয়া-নাম, গৰখীয়া নাম, ধাই নাম, গাৱঁলীয়া গীত, বাৰমাহী গীত, আইনাম, হুচৰী নাম আৰু বিহু নামক এই কালৰ ৰচনা বুলি ধৰিছে। বিহু-উৎসৱ মঙ্গোলীয় জাতিৰ অৱদান বুলিব পাৰি। আজি কেইবা হাজাৰ বছৰৰ আগেয়ে চীন দেশতো ডেকা-গাভৰু বিলাকে বসন্তকালত খেমালিৰ মাজত বিয়া বাচনি কৰাৰ নিৰ্দ্দেশ পোৱা দেখা যায়। তেওঁবিলাকে নৃত্যগীতৰ দ্বাৰা কপোৌকুলৰ আদান প্ৰদান কৰিছিল। বিহু নামত ইয়াৰ উল্লেখ আছে। বিহু মঙ্গোলীয় জাতিৰ আগমনত এনে ধৰণৰ নৃত্য-গীত চীন দেশৰ পৰা অসম পালেহি।

বহাগৰ বিহুৰসময়ত অসমৰ পথাৰ হাবি বননি ঢোল পেপাঁৰ মাতৰ লগতে কিছুমান বিহু গীতেৰে আকাশ পাতাল কপাঁই তোলে। ইয়াৰ কিছু গীত হুচৰীৰ লগত মানুহৰ ঘৰে ঘৰে গোৱা হয়। এই বোৰকে ঠিক বিহুনাম বুলিব পাৰি। কিছুমান বিহু গীতত যৌৱনৰ উন্মাদ বাসনাৰ কলৰৱ, গতিকে বসন্ত উন্মাদনাৰ ইঙ্গিতৰ ঘাই অনুপ্ৰেৰণা। অৱশ্যে নৈসৰ্গিক সৌন্দৰ্য্য কবিতা সিবোৰত নাই। কিন্তু উদ্ভিন্ন নৱ-যৌৱনৰ দৰে নৈসৰ্গিক সৌন্দৰ্য্যই যুৱক যুৱতীৰ অন্তৰত নিতালমাৰি থকা যি সৌন্দৰ্য্য-বোধ জগাই দিয়ে, সি চকুমেলি অনুভৱ কৰে অন্তৰৰ কিবা এটি কৰুণ তৃষ্ণা আৰু বাহিৰৰ যৌৱনৰ সৌন্দৰ্য্যৰ স্পন্দন। সাহিত্য ৰূপে এই গীতৰ সৰল প্ৰকাশ ভঙ্গী কল্পনা উপমা; প্ৰকৃতিৰ উপমা আদি মন কৰিব লগীয়া। "আন্তৰিকতা অনুভৱৰ গাম্ভীৰ্য্য

বিশ্বাত্মবোধ (Cosmic Feeing) উচ্চস্তৰৰ কল্পনা সৌন্দৰ্য্যবোধ প্ৰকাশ ভঙ্গীৰ সংগ্ৰাম আটাই বিলাকৰ চানেকি দুই চাৰি বিহু গীতত পাই।" (ডঃ প্ৰফুল্ল গোস্বামী) তাৰোপৰিও পুৰ্ব্বৰাগ, বিৰহ আশঙ্কা, বিৰহ বিচ্ছেদ, আদিৰ ছবি পোৱা যায়। মনত নপৰা কালৰ পৰা এই গীতবোৰ ৰচিত হৈ আহিছে, যদিও আজিও হয়তো সভ্যতাৰ কোলাহলৰ বহুত আঁতৰত তেনে গীত ৰচিত হৈছে। দুই এটা গীতত "কোম্পানী" "ঘড়ীৰ টাইম," "বিলাতী হোটেলৰ পানী" "ৰেল" "আপিচ" "আফিল" আদি কুৰি শতিকাৰ চলন্ত শব্দ সোমাইছে।

নতুন বছৰৰ নতুন ৰঙে ডেকা-গাভৰুৰ জীৱনলৈ আশাৰ স্পন্দন চপাই আনে বিহু যেতিয়া আহিব কুলি কেতেকীৰ সুললিত সুৰে আমাৰ পাতত জোৱাৰ তুলিব, লতাপাতৰ কেচাঁ কেচাঁ গোন্ধে যেতিয়া বিহুৰ বাতৰি আনিব তেতিয়া ডেকা গাভৰুৰ মনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে আনন্দৰ জোৱাৰ উঠে। এই বিহুত (বহাগৰ) ডেকা গাভৰুৰ প্ৰণয়ৰ জোৱাৰে পাৰৰ গৰা খহায়। বহাগ বিহু, বিহুগীত আৰু বিহুতলীখন যৌৱনৰ ফাগুনি বতাহে উৰাইলৈ ফুৰা ডেকা গাভৰুৰ মুকলি মনৰ আনন্দৰ স্থলি। অন্তৰত বহুকথা মালাৰ দৰে গাঁঠি ৰাখে প্ৰিয়জনক কবলৈ। কিন্তু সময় আৰু সুবিধা ক'ত? বিহুতলীতে কোনো কোনোৱে তেওঁলোৰ চিৰ জীৱনৰ সহচৰীও বিচাৰি লয়। কেৱল সুযোগ আৰু সুবিধা দিয়ে বহাগৰ বিহুটিয়ে। গতিকে বাপতি সাহোন বহাগৰ বিহুটি আহিলে ডেকা গাভৰুৱে আত্মাহৰাহৈ গাবলৈ ধৰে—

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
অতিকৈ চেনেহৰ মাকো।
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো॥

প্ৰেমিক প্ৰেমিকাই বিহুতলীত দেখাদেখি হয় তেওঁলোকে মনৰ কথা, প্ৰাণৰ কথা প্ৰকাশ কৰিবলৈ সুযোগ সুবিধা পায় এই ৰঙালী বিহুত সেয়েহে প্ৰেমিকাই গাইছে—

(বিহুটি] নাপাতি কেনেকৈ থাকো মই মইনা
হিয়া ফুল ফুলিবৰ হ'ল।
বিহুৰে পথাৰত পখিলা উৰিছে
বিহুতলীত নাচোগৈ বল॥

বিহু আহিলে ডেকা গাভৰুৰ মন পচোৱা বতাহৰ লগত উৰে। ঘৰত কাম কৰি থকা কোনোবা গাৱঁলীয়া ৰূপহীৰ মন বিহুতলীত থকা চেনাইৰ কাষলৈ দৌৰ দিয়ে। সেয়েহে—

খিটিৰ খিটিৰ কৰি কাপোৰবৈ আছিলো
সূতা চিগি চিগি পৰে।
বিহুৰে তলীলৈ মনত মোৰ পৰিলে
মাকো সৰি সৰি পৰে॥

অকৌ বিহুতলীত চেনাইৰ চকুত চকু থৈ নাচিবলৈ আশা পালি থকা এজনী গাভৰুৰ মনলৈ আহে—

আজিকি উৰুকা কালিকি উৰুকা
নাহৰ ফুল ফুলিবৰ বতৰ।
পেঁপাৰ মুখতে ঢোলৰ মাত শুনিলে
ঠেকেচি ভাঙি যাওঁ যতঁৰ॥

আন ফালে বসন্তৰ বা-লগা প্ৰেমৰ বতাহ জাকিয়ে কপাঁই তোলা এটি ডেকাই ভাবে—

ঘৰতো নবহে মনেমোৰ ধন ঐ
পথাৰত নহে মন ।
কমোৱা তুলাবোৰ উৰিছে যেনেকৈ
তেনেকৈ উৰিবৰ মন ॥

ঠেকেঁচি ভাঙি যাও যতঁৰ, কমোৱা তুলা আৰু মাকো সৰি সৰি পৰে বুলি গোৱা গীতত গাভৰুৰ চঞ্চল ভাৱৰ তৰঙ্গ উঠিছে। অশান্ত ভাৱৰাশিয়ে আনমনা কৰি তোলা গাভৰুৰ মনৰ পৰ্দাও প্ৰতিবিম্বিত হৈছে বিহুতলীত তাইলৈ অপেক্ষা কৰি থকা ধনৰ প্ৰতিচ্ছবি। সেই একে ভাৱৰ ভাব তৰঙ্গই অন্তৰত খুন্দা মাৰিছে কমোৱা তুলাৰ নিচিনাকৈ উৰিবলৈ মন যোৱা ডেকাৰ মনতো।

তাঁতৰ পাতত বহি প্ৰেমিকাই ধনক মন কৰি থাকে। তেওঁৰ কথা মনত পৰিলে মন উৰি যায় কোনো এক দিগন্তলৈ। প্ৰেমিকাক বিহুৱান খুজি প্ৰেমিকে গায়—

কপৌ ফুল এপাহি দিম ঐ চেনাই
গোন্ধতেল এবতল দিম।
বিহুৱান এখনি দিবা ঐ চেনাই
বিহু মাৰিবলৈ যাওঁ ॥

প্ৰেমিকাই বোৱা বিহুৱানখনি লবলৈ প্ৰেমিকে আশাপালি থাকে। প্ৰেমিকাই প্ৰেমিকৰ হাতত বিহুৱানখনি দি গোনা মহ বন্ধাৰ দৰে বান্ধি লয়। প্ৰেমিক প্ৰেমিকাই বিহুৱান গাত মেৰিয়াই বিহুতলীত উন্মাদ হৈ পৰে তেতিয়া প্ৰেমিকাই গাই—

বিহুমাৰি থাকিবৰ মনে ঐ মইনা
বিহুমাৰি থাকিবৰ মন।
বিহুমাৰি থাকোতে পলোৱাই নিনিবা
ভৰিব লাগিব ধন ॥

× × ×

মাৰে নিদিয়ে বাপেৰে নিদিয়ে
তোমাৰ আছিলে মন।
তোমাক আনিবলৈ মোৰে মন আছিলে
হাতত নাইকীয়া ধন ॥

কিন্তু দাৰিদ্ৰতাই জানো মিলনৰ বাটত বাধা দিব পাৰিব? কেতিয়াও নোৱাৰে। প্ৰেমৰ আগত দাৰিদ্ৰতা কোনো প্ৰশ্নই উঠিব নোৱাৰে। বিহু তলীত বিহুমাৰি থাকোতে প্ৰেমিকাই গায়—

কিনো তামোলখনি দিলি ঐ মইনা
দুখনি হাতেৰে ললো।
সেই তামোলখনি খাবৰে পৰা
তোমাৰ লগত বলিয়া হলো ॥

× × ×

নাখায় নোৱাৰি খালেও নামোৱাই
মইনাৰ থুৰি তামোলখনি।

প্ৰণয় পাশত আৱদ্ধ হবলৈ যোৱা এহাল ডেকা গাভৰুক যদি মাক বাপেকে বাধা দিয়ে তেন্তে মিলনৰ উপায় কি? সেয়েহে প্ৰেমিকে নিজেই গাই আপোন মনত শান্তনা লভিবলৈ—

নই হলো দুখীয়া একোকে নাইকীয়া
তুমি হলা চহকীৰ জী।
দুখীয়া ডেকাতে তুমি দিয়া সেমালে
সমাজে বুলিব কি?

কিন্তু ভাল পোৱাজনৰ লগত দুখীয়া চহকীৰ প্ৰভেদ নাই। তাহানিখনৰ পাৰ্ব্বতীয়ে দেখোন বনৰ ফলমূল ভক্ষন কৰিও শিৱক ভাল পাইছিল। ঠিক সেইদৰে আজিৰ প্ৰেমিকাই মনে খন্দা পুখুৰীত পানী খাবলৈ বিচাৰে। সেয়েহে নাগায় নোৱাৰিলে--

কেৰানী নালাগে চহকী নালাগে
ঘৰতে বুঢ়ী হৈ কটাম।
আই বোপায়ে বলেৰে যদি দিয়ে আনলৈ
ডিঙিত চিপেজৰী লগাম॥
× × ×
তোমাক পালে মোক একোকে নালাগে
খুজি মাগি খালেও খাম।
তিতা তিয়নীয়ে উৰুখা পজাতে
তোমাৰ লগত শান্তি পাম॥

প্ৰেমিকে নানাবিধাক অজুহাত দেখুৱালেও প্ৰেমিকাই কোনোমতেই মানি লব নোখোজে। সংসাৰৰ আলৈ আহুকাল, সামাজিক বাধাবন্ধনৰ অঘৰীয়া শূল থাকিলেও প্ৰেমিক প্ৰেমিকাই মানি নলয়। প্ৰেমিকৰ উৰুখা পজাতে সোণৰ সংসাৰ ৰচি প্ৰেমিকা সুখী হব। মনৰ কল্পনাবোৰ বাস্তৱত ৰূপ দিব পাৰিলেই প্ৰেমিক প্ৰেমিকা সুখী হয়।

বিহু আমাৰ কাৰণে সদায় থাকি ন'যায় কিন্তু বিহুতগীত দেখা চেনাইৰ মিঠা হাঁহিবোৰ ধেমালিবোৰ আৰু আনন্দবোৰ থাকি যায়। মৰমখিনি চিৰদিনৰ কাৰণে থাকি যায়। মৰমেই প্ৰণয়ত পৰিণত হয়গৈ আৰু প্ৰণয় চিৰ দিনৰ কাৰণে থাকি যায়। তাৰ কাৰণে গাভৰুৱে আশা কৰে।

গধূলি সূৰ্য্য মাৰ যাব
পৃথিবীৰ বুকুত আন্ধাৰ হব
মন আন্ধাৰৰ বুকুত
পপীয়া তৰাবোৰ খহি পৰিব।
আমাৰ প্ৰেমৰাজি কাহানিও
খহি নপৰে॥

সেয়া কোনোবা ডেকা গাভৰুৰ স্বকীয় প্ৰেমৰ আশা।

বিহুত গোৱা গীতবোৰৰ মাজেদি মৰমবোৰে যেতিয়া স্বীকৃতি লাভ কৰে তেতিয়া প্ৰেমিকে সদায় তেওঁৰ মনৰ প্ৰতিবিম্ব দেখিবলৈ পাই তেওঁৰ মনৰ মাজত। সেয়েহে প্ৰেমিকে নানা উপমা বৈচিত্ৰৰ যোগেদি দিয়া তুলনা দেখিবলৈ পায়—

পানী পাই বাঢ়িলে পানীৰে কলমৌ
তেল পাই বাঢ়িলে চুলি।
যৌৱন পাই বাঢ়িলে আমাৰে লাহৰী
যেন ভীম কলৰ পুলি॥

বাহঁৰে আগলে চাইনো পথিয়ালো
বাহঁৰ কোনে ডালি পোন
তোমাৰে মুখলৈ চাইনো পথিয়ালো
যেন পূৰ্ণিমাৰে জোন॥

মেঘত জিলিকিলে- বিজুলী চমক ঐ
শূণ্যত জিলিকিলে তৰা ।
পৃথিবীত জিলিকে আমাৰ ঐ মইনা
তাতোকৈ একাঠি চৰা ॥

সেউতী এপাহী মালিতিৰ এপাহি
কেতেকৰ সুৰনী পাহী ।
তোমাৰ দেহাটি পদুমৰ পাহি যেন
মাণিকী মধুৰী হাঁহি ॥

সেউতী মালতিৰ পাহীৰ লগত ধনক তুলনা কৰিও ডেকা শান্ত নহৈ মেঘৰ বিজুলীৰ লগত আৰু আকাশৰ তৰাৰ লগত তুলনা কৰিছে । এনেবোৰ উপমাৰ মাজত গাভৰুৰ প্ৰতিচ্ছবি সম্পূৰ্ণভাবে ডেকাৰ মনত প্ৰতিফলিত হয় । তেতিয়া ডেকাই অনুভৱ কৰে যেন একে উৰাই ধনৰ ওচৰ পাব ।

প্ৰণয় পাশত আৱদ্ধ হৈ কেতিয়াবা আশা পূৰ হোৱা দেখা যায় । তাৰ প্ৰমান এই—

তোমাৰ তিনিখনি মোৰ তিনিখনি
ছখনি কাপোৰৰ জাপ ।
তোমাৰ তিনিখনি লোৱা বাচি বাচি
কুকুৰাই মাৰিলে ডাক ॥

× × ×

ৰাজ আলিৰ ওপৰে বেলি মাৰে গলে
ঘিলা মাৰে গল ফাকত ।
তোমাৰে আমাৰে কথা মাৰে গলে
প্ৰথম কুকুৰাৰ ডাকত ॥

প্ৰায় খুউব কম ডেকা গাভৰুৰহে মনৰ আশা পূৰ হোৱা দেখা যায় । আশাৰ মূৰত যেতিয়া বালিৰ চত পৰে তেতিয়া তেওঁলোক বলিয়াৰ দৰে হয় । সেইয়ে হৈছে সংঘাট আৰু গম্ভীৰ বেদনা । গতিকে প্ৰেমিকাই নাগাই নোৱাৰে—

কিনো খাই পাহৰিম তোকে ঐ মইনা
কিনো খাই পাহৰিম তোক ।
মিচিমি আহিব ৰবে বিহ আনিব
তাকে খাই পাহৰিম তোক ॥

× × ×

ৰাতি পৰে পৰে তোলৈ মনত পৰে
চকুপানী দুধাৰে বয় ।
তললৈ মূৰকৈ ধৰো ভাবিবলৈ
আগতে চাকিটি লৈ ॥

আমি কেতিয়াবা উদাসীন প্ৰেমিকৰ অন্তৰতো এটি বিষাদৰ ছাঁ দেখিবলৈ পাওঁ । সেয়েহে তেওঁলোকে নাগায় নোৱাৰে—

ওলায়ে দেখিলো নীলাকৈ আকাশখন
মেঘে ক'লা বৰণ হ'ল ।
মোৰ যে লাহৰী মোকে যে পাহৰি
নেদেখা ৰাজ্যলৈ গ'ল ॥

কিন্তু কি হব, প্ৰথমে দুয়ো প্ৰেমিকাই পৰস্পৰক অন্তৰ ঢালি মৰম দিছিল সচাঁ, কিন্তু সেই সময়ত তেওঁলোকে উশাহৰ প্ৰতিটো শ্বাসতে দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে গোন্ধ পাইছিল প্ৰেমৰ, যৌৱনৰ হিৰণ কিৰণ পৰা সেই কেইদিনত তেওঁবিলাকে পৃথিবীখন জেতুকা পাতৰ দৰে সেউজীয়া দেখিছিল । আকাশখন নীলা, দেখিছিল । প্ৰতি খোজত গোন্ধ পাইছিল পদুম আৰু গোলাপৰ । কিন্তু সিহঁতে জনা নাছিল জীৱনৰ চকৰিত মৰাশৰ উৎকট

গোন্ধ নাকত লাগির বুলি! ভৰা নাছিল নীলা আকাশত পানীয় বাষ্পৰে পৰিপূর্ণ কলা ডাৱৰ নামিব বুলি! গতিকে যেতিয়া প্ৰেমিকা গাভৰুয়ে ডেকা প্ৰেমিকক এৰি মাক বাপেকৰ আদেশ মানি অন্য এজনক চিৰলগৰীয়া কৰে তেতিয়া নিজক শান্ত্বনা দিবলৈ মনৰ পৰা ওলাই আহে—

চাইনো চাই বুলিবি বাট ঐ মইনা
চাইনো চাই বুলিবি বাট
দেহব ভিতৰত আছে খলা বমা
পিচলি পৰিবি তাত ॥

আকৌ অসমৰ নানা বিলাক প্ৰাকৃতিক সৌন্দর্য্যৰ মাজত নদী প্ৰিতি ভাবো এই গীত বিলাকৰ মাজেদি প্ৰকাশ পায়। তাৰ উদাহৰণ আমি তলৰ গীত কেইফাঁকিত পাওঁ—

দিখৌ নৈ এৰিব পাৰো মই চেনাই ঐ
জাঁজী নৈ এৰিব পাৰো।
তোমাকে চেনাই ঐ এৰিব নোৱাৰো
নাখায়ো থাকিব পাৰো ॥

\+ × ×

চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আহিলো
চিৰি লুইতলৈ চাই।
চিৰি লুইতত কিৰিলি পাৰিলে
চেনাই নাও মেলি যায় ॥

জাতি অজাতিক লৈ আমাৰ সমাজত সামাজিক বাধা বান্ধোন আছে। কিন্তু প্ৰেমে জানো এইবোৰ মানে? কেতিয়াও নামানে। তলৰ গীত ফাঁকিয়ে ইয়াৰ প্ৰমান দিয়ে—

তোমালৈ চাওঁতে জপনা দেওঁতে
ফুটিলে অঘয়া হুলে।
তোমাৰ মনে গলে মোৰো মনে গলে
কি কৰিব অজাতি কুলে।

এই দৰেই বিহুগীত বিলাকে ডেকা গাভৰুৰ মাজত প্ৰবল চাপ পেলায়। এজনী গাভৰুৱে মুকলি পথাৰত ভুঁই কই থাকোতে শাওন ভাদ মাহৰ প্ৰখৰ ৰ'দত গছ তলত বহিলৈ এফাঁকি বিহুগীত গাই শান্ত্বনা লভে। আঘোনৰ পথাৰত ধানদাই থাকোতে ৰিঙিয়াই গোৱা এফাঁকি বিহুগীতে সকলোকে আকর্ষণ নকৰাকৈ নাথাকে। সেইদৰে দীঘলকৈ দলনীত ম'হ ৰখি থকা এজন ডেকাই এফাঁকি বিহুগীত গাই কষ্টকৰ জীৱনত শান্ত্বনা লভে।

আগৰ দিনত অসমীয়া ডেকা গাভৰু বিলাকে বহাগৰ প্ৰায় গোটেই মাহটোৱেই ৰাতি বিহু কৰি আনন্দত উত্ৰাৱল হৈ ঢোল পেপাৰ মাতেৰে অসমৰ আকাশ পাতাল কপাঁই তুলিছিল। আজিকালি কিন্তু সেই ৰাতি বিহুৰ নাম গোন্ধেই নাই। উজনী অসমৰ শদিয়া, উত্তৰ পাৰৰ ধেমাজী আদি ঠাইত আজি কালিও কেইদিনমানৰ কাৰণে ৰাতি বিহু কৰে যদিও আগৰ দৰে নহয়। শুনিবলৈ পোৱা গৈছে বোলে অজলা মিৰিহঁতেও হেনো আজিকালি বিহু কৰিবলৈ এৰি দিছে। আনৰ পক্ষে ই শুভ নে অশুভ লক্ষন মই নাজানো; মোৰ বোধেৰে আমাৰ জাতীয় কৃষ্টিক এইদৰে অৱজ্ঞা কৰাটো কোনো উন্নতিশীল জাতীৰ লক্ষন নহয়। এই কৃষ্টিক ৰক্ষা কৰিবলৈ আমি আগবাঢ়ি আহিব লাগিব এজন অসমীয়া ডেকাৰ দৰে গাৱেঁ গাৱেঁ বহাগী মেলা পাতিয়েই অসমীয়াৰ কৃষ্টি ৰক্ষা কৰিম বুলি ভাবিলে নহব।

কোনো কোনো লোকে এই গীতবোৰত অশ্লীলতা আছে বুলি কব পাৰে। কিন্তু ভগবানৰ সৃষ্টিত ভাল বা বেয়া বুলি কোনো বস্তু নাই। ই মানুহৰ সৃষ্টি মাথোন।

---

বিঃ দ্ৰঃ— সহায়লৈ.

# অগ্ৰগতিৰ পথত ভাৰতীয় বিজ্ঞান

*—মনিৰাম দিহিঙ্গীয়া*
তৃতীয় বাৰ্ষিক, বিজ্ঞান।

বিজ্ঞানৰ অগ্ৰগতি ৰিন সংগ্ৰামত মানুহৰ সমূহীয়া অগ্ৰগতি। দিনক দিনে এই অগ্ৰগতি দ্ৰুতভাৱে অগ্ৰসৰ হৈয়েই লাগিছে। ক্ষুদ্ৰাতিক্ষুদ্ৰ অনু-পৰমানুৰ সৈতে জড়িত এই বিজ্ঞান এটা বিৰাট ৰহস্য সাধাৰণ দৃষ্টিত। সময়ৰ লগে লগে মানুহৰ জ্ঞান-বুদ্ধিও বাঢ়ি আহিছে। পদাৰ্থৰ গঠনৰ মূল উপাদান পৰমানু বুলি বিশ্বাস আছিল বিজ্ঞানৰ ডেল্টানিয়ান যুগলৈকে (উনবিংশ শতিকা)। তাৰ পাচত অতি সোনকালেই আহিল তড়িৎ অনুৰ (Electron) যুগ। যোৱা ১৯৬৭ চনৰ আগষ্ট মাহত আমেৰিকাৰ এটা গবেষণাগাৰত বৈজ্ঞানিক সকলে অনুমানিক ভাবেই প্ৰমান কৰিবলৈ সক্ষম হৈছে যে পদাৰ্থৰ গঠনৰ আটাইতকৈ সুক্ষ্ম উপাদান হল Quark। শক্তিশালী অনুবীক্ষণ যন্ত্ৰৰ দ্বাৰাও তড়িৎ অনুবোৰ দেখা টান—সেইবোৰ অনুৰ আকৌ খণ্ড খণ্ড ভাগ এই Quark বোৰ। প্ৰশ্ন হৈছে—এই সুক্ষ্ম সুক্ষ্ম Quark বোৰৰ গধুৰতা কিমান হব পাৰে। অদৃশ্যমান তড়িৎ অনুবোৰৰ ওজন বৈজ্ঞানিকৰ মতে সাধাৰণ জোখেৰে ৯.১১×১০ —২৮ গ্ৰাম। ভাবিলে সঁচাই আচৰিত লগাকৈ সৰু। সেয়ে হয়তো বৰ্ত্তমান বৈজ্ঞানিক সকলে Quark বোৰৰ প্ৰকৃত ওজন দিবলৈ কিছু সময় লৈছে। কোৱা বাহুল্য নহব যে এই সৰু সৰু বস্তুবিলাকৰ বিষয়ে কৰা গভীৰ চিন্তাই মানুহৰ আকাশ মণ্ডলত বিচৰণ কৰাত, অগ্ৰগতিৰ পথত বৰঙনিৰ মূল উপদান।

বিজ্ঞানৰ ক্ৰমোন্নতিত পৃথিবীৰ ভিতৰত আমেৰিকা আৰু ছোভিয়েৎ ৰুছিয়াৰেই অৱদান সৰ্ব্বাধিক এই বিষয়ে সকলোৰেই নিশ্চিত। কিন্তু বিজ্ঞানৰ জন্মদাতা ভাৰতৰ এই বিষয়ে দৃষ্টিভঙ্গী কেনে অলপ আলোচনা কৰা হওক।

### *বিদেশৰ তুলনাত খৰচ*

পৃথিবীৰ অন্য অন্য দেশ সমূহে বিজ্ঞান শিক্ষাত চৰম সীমাত উপনীত হোৱাৰ সময়ত ভাৰতৰ বিকাশ সাধনত বাধাৰ কাৰণ যে দৰিদ্ৰতাই প্ৰধান ই সত্য। পৃথিবীৰ কোনো এক অঞ্চলত অধিক ব্যুৎপত্তি সম্পন্ন বৈজ্ঞানিকৰ আবিৰ্ভাৱ হয় বুলিলে ভুল কৰা হব। ভাৰতত আৱশ্যকীয় সুবিধাৰ অভাৱত বহুতো সম্ভাব্য বৈজ্ঞানিকে আত্মপ্ৰকাশৰ পৰা বিৰত থাকিবলগীয়া হৈছে আৰু বৈজ্ঞানিক সকলেও সৎ ব্যৱহাৰৰ অভাৱত নিজৰ প্ৰতিভাক জলাঞ্জলি দিব লগীয়া হৈছে।

শিল্পত উন্নত দেশসমূহৰ লগত তুলনা কৰি চালে দেখা যায় যে উচ্চ শিক্ষাৰ বাবে কৰা খৰচ ভাৰতত নিচেই কম। উদাহৰণ স্বৰূপে, আমাৰ দেশত এজন ছাত্ৰৰ বাবে বছৰত কৰা খৰচ ইংলণ্ডত এজন ছাত্ৰৰ বাবে বছৰত কৰা খৰচৰ ত্ৰিশ ভাগৰ এভাগহে। বৈজ্ঞানিক আহিলা পাতি সমূহৰ দাম দুয়ো দেশতে প্ৰায় একেই। তদুপৰি আমাৰ দেশে বিশেষ ধৰণৰ যন্ত্ৰপাতি উচ্চশিক্ষা ও গৱেষণাৰ বাবে আমদানি কৰিব লাগে। ইয়াৰ বাবে যি বৈদেশীক বিনিময়ৰ প্ৰয়োজন সিও নিচেই কম পৰিমানে পোৱা যায়। মুঠতে এজন ভাৰতীয় ছাত্ৰই পোৱা লেবৰেটৰীৰ সা-সৰঞ্জামৰ সুবিধা আৰু অন্য অন্য আৱশ্যকীয় সুবিধা (কিতাপ, আলোচনী আদি) তুলনামূলক ভাৱে শিল্প উন্নত এখন দেশৰ এজন ছাত্ৰই পোৱাতকৈ বহুগুণেই কম। উন্নত দেশ সমূহত বিজ্ঞান শিক্ষাত স্নাতক ও স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ইঞ্জিনিয়াৰিং আৰু কৃষিবিদ্যালয়ৰ একে পৰিমানৰ ব্যয় কৰা হয়। ভাৰতেও শিক্ষাৰ ক্ষেত্ৰত খৰচৰ পৰিমান বৃদ্ধি কৰিবলৈ চেষ্টা চলাইছে। গড় হিচাবে নিম্ন খাপৰ পৰা উচ্চ শিক্ষা আৰু গবেষণালৈকে ধৰিলে প্ৰতিজন ভাৰতীয় ছাত্ৰৰ বাবে বছৰত মুঠ উৎপন্নৰ (Gross national product) শতকৰা ৩ ভাগ খৰচ কৰা হয় আৰু এই হিচাবত প্ৰতিজনৰ বাবে খৰচ হয় ১৫ টকাকৈ। কিন্তু আমেৰিকাৰ এজন ছাত্ৰৰ বাবে খৰচ কৰে ২০০০ টকাকৈ মুঠ উৎপাদনৰ শতকৰা ১০ ভাগ। ভাৰতেও শতিকাৰ শেষ ভাগলৈ শিক্ষা আৰু গৱেষণাৰ বাবে সেই সময়ৰ মুঠ উৎপাদনৰ শতকৰা ১০ ভাগ খৰচ কৰিবলৈ সক্ষম হব বুলি আশা প্ৰকাশ কৰিছে। সেয়ে হলে প্ৰতিজন ছাত্ৰৰ নামত বছৰত ২০০ টকাকৈ খৰচ কৰা হব।

### *উচ্চতম কাৰ্য্যকাৰিতা :—*

অভাৱৰ দিনবোৰ অনতি পলমে নাইকিয়া হৈ অহাটো আমাৰ কল্পনা। আদৰ্শবান পৰিকল্পনাবোৰে অদূৰ ভবিষ্যতে আমাৰ বৰ্ত্তমানৰ বৈজ্ঞানিক মানৱ শক্তিৰ ক্ৰমবিকাশৰ ফলত জীপ লৈ উঠিব বুলি বিশ্বাস আৰু সজব্যৱহিত ভাৰতীয় বিজ্ঞানৰ কাৰ্য্যকাৰিতা অতি উচ্চ ভাৱে অগ্ৰগতি লাভ কৰি শিল্প উন্নত অন্য দেশ সমূহক চেৰ পেলাবলৈ সক্ষম হব বুলি আশা-

নদী আৰু বৰ্ত্তমানিহ্যা প্ৰবৰ্তী বৈজ্ঞানিক সকলোৱে চেষ্টা কৰাত ত্ৰুটি সাধন নকৰে বুলি আশ্বাস পোৱা গৈছে। এতিয়াৰ প্ৰতিযোগী বৈজ্ঞানীক আৰু শিল্প বৈজ্ঞানীকৰ অভাৱে ভাৰতক পিচ পৰা কৰাটো দুখৰ কথা। তথাপি বহুতো কাৰ্য্যই নিয়মিতৰূপে সমাধান কৰৰ বাবে ভাৰত সদায় সজাগ। দেশৰ এটা ডাঙৰ মনকৰিবলগীয়া কথা হৈছে নিজ কাৰ্য্যসূচীৰে নিজৰ শ্ৰেষ্ঠতা প্ৰকাশ কৰা আৰু ই হৈছে স্বয়ং সম্পূৰ্ণ দেশীয় শিক্ষা ও গৱেষণা। ভাৰতৰ আৱশ্যকতা ও উচ্চাকাঙ্ক্ষা কিছু অসংগত বুলি কিছুমান বৈজ্ঞানিকেই কয় কাৰণ শিল্প উন্নত হওক বা নহওক ভাৰতে আমেৰিকাৰ দৰে কিছুমান দেশৰ অনুকৰণ কৰাটো সময়ত বহুপৰিমানে আৱশ্যকতা আছে; আৰু ভৱিষ্যতৰ বিজ্ঞান ভাৰতৰ ভেটিৰ সম্বল স্বৰূপ এইবোৰ দেশৰ শিল্প শিক্ষা।

সন্তোষৰ কথা যে তুলনাক্ৰমে যোৱা কেই বছৰতকৈ বৰ্ত্তমান ভাৰতৰ বিজ্ঞান শিক্ষিত লোকৰ সংখ্যা বহুগুণে বাঢ়িছে। এইয়া কাল্প নিক ভাৰতৰ সুলক্ষণ, আৰু ই ক্ৰমান্বয়ে ভাৰত বাসীৰ উৎসাহত অনুপ্ৰেৰণা যোগাইছে। বিজ্ঞান ও শিল্পত অধিক পৰিমানৰ কামৰ বাবে সুবিধা দিব পৰাটোও এটা সুবিধাৰ কাৰণ হৈছে জনসাধাৰণৰ বাবে। ১৯৬৩ চনত B. Sc. ডিগ্ৰী পোৱা ছাত্ৰছাত্ৰীৰ মুঠ সংখ্যা ৩১,৬৩৮ জন। কিন্তু ১৯৫০ চনত উক্ত উপাধি লোৱা ছাত্ৰ ছাত্ৰীৰ মুঠ সংখ্যা ৯,৬২৮ জনহে আছিল। সেই অনুযায়ী ইঞ্জিনিয়াৰিং, শিল্পবিজ্ঞান আৰু কৃষিবিষয়তো ক্ৰমান্বয়ে ৯,২২৭, ১,৬৬০ আৰু ৪,৮৭২ জন হয়। তদুপৰি এই সময়চোৱাৰ ভিতৰত ডক্টৰেট উপাধি পোৱা লোকৰ সংখ্যাও ১০০ৰ পৰা ৫৪০ জনলৈ বৃদ্ধি হয়।

বিজ্ঞান শিক্ষা বিস্তাৰিত কৰাৰ বিষয়ত ভাৰতৰ প্ৰদেশ সমূহৰ সুবিধা অসুবিধা অত্যন্ত মন কৰিবলগীয়া কথা। বিজ্ঞান শিক্ষাৰ বাবে নিযুক্ত কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দক্ষিণ ভাৰতত সৰ্বাধিক বেচি। ভাৰতৰ আটাইতকৈ কম ছাত্ৰ নিযুক্ত কৰা প্ৰদেশ হল ৰাজস্থান। ইয়াৰ এক নিযুত অধিবাসীৰ মাত্ৰ ৫০০ জনক হে বিজ্ঞান শিক্ষাৰ সুবিধা দিব পৰা হৈছে। সকলোতকৈ উন্নত কেৰেলা ৰাজ্যত এক নিযুত অধিবাসীৰ ২২০০ জনে বিজ্ঞান পঢ়াৰ সুবিধা পাইছে। এই সমতা ৰক্ষাৰ বাবে পিচ পৰা দেশ কেইখনক আৱশ্যকীয় সুবিধা দিবৰ বাবে চৰকাৰে চেষ্টা চলাই আছে। শিল্প আৰু কৃষিবিষয়ক উন্নতি এখন দেশৰ ভৌগোলিক কাৰণও যথেষ্ট পৰিমানে যানবাহনৰ সুবিধাৰ ওপৰত নিৰ্ভৰ কৰে। দেশৰ বিশ্ববিদ্যালয় সুবিবেচনা, সুব্যয় আৰু উন্নত চিন্তাই দেশৰ যেই সেই ঠাই সমূহৰ অগ্ৰগতিৰ মুল কাৰণ।

## মুকলি প্ৰশিক্ষণ :—

পৰিস্থিতি অনুযায়ী জীৱবিদ্যাৰ মুকলি শিক্ষাৰ আৱশ্যকতা অতি বেচি। প্ৰাকৃতিক আৰু অৰ্ধ প্ৰাকৃতিক (semi-natural) উদ্ভিদ জ্ঞানৰ বৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে কৃষি প্ৰধান দেশ ভাৰতে বতৰত নষ্ট পাব খোজা নাইবা বেমাৰ হ'ব খোজা গছ-গছনিৰ প্ৰতিশেধক তৈয়াৰ কৰি উৎপন্নত সহায় কৰাটো প্ৰাসঙ্গিক। এজন বৈদেশীক উদ্ভিদ্‌বিদে (Botanist)

ভাৰতৰ বিশ্ববিদ্যালয় সমূহ পৰিভ্ৰমণ কৰি অভিমত দিছিল এইদৰে. "Most of the subject matter they learn in the university botany courses is absolutely useless to them Industrial and agricultural application of science subjects should be clearly and forcefully brought out and illustrated in terms of local industries and experience accessible to students." সেইদৰে ভূবিদ্যাও বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ বিশেষ উপকাৰত অহা নাই। বেলেগ বেলেগ ঠাইত অধ্যয়ন কৰি অভিজ্ঞতা আৰ্জ্জিবলৈ ব্যৱহাৰিক জ্ঞানৰ অভাৱত পৃথিবীৰ বেলেগ ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত সুবিধা পোৱা নাই। মুকলি শিক্ষা ও যাদুঘৰৰ (museum) সুবিধা ছাত্ৰৰ ব্যুৎপত্তি বিকাশৰ অতি আৱশ্যকীয় বস্তু। বিদেশত যথেষ্ট পৰিমানৰ যাদুঘৰ আছে— কিন্তু এই ক্ষেত্ৰত ভাৰত বৰ পিচ পৰা।

প্ৰত্যেক কলেজ ও বিশ্ববিদ্যালয়ৰ বিজ্ঞান শিক্ষাৰ বাবে সা-সৰঞ্জামেৰে সুসজ্জিত কাৰখানা (workshop) থকা উচিত। ছাত্ৰই কাৰখানাৰ যন্ত্ৰ পাতি ব্যৱহাৰ কৰি উৎসাহ পাবৰ বাবে সুবিধা দিবলৈ চৰকাৰে হাতত লৈছে। লেবৰেটৰীত পোৱা এনে শিক্ষাই হবলগীয়া শিক্ষক সকলক উন্নত কৰি তোলে আৰু লগে লগে সৰু কাৰখানা সমূহেও ক্ৰমান্বয়ে প্ৰগতিৰ পথত আগবাঢ়ি ডাঙৰ ডাঙৰ শিল্পানুস্থানত পৰিণত হোৱাৰ সুবিধা আৰ্জ্জন কৰে। কচিয়াৰ নিচিনা দেশত সৰুৰ পৰাই লৰাক ব্যৱহাৰিক কামত নিযুক্ত কৰি দিয়ে আৰু সেয়ে সেই দেশ অগ্ৰগতিৰ পথত আগৰনুৱা। আমাৰ ভাৰততো মুকলি ব্যৱহাৰিক শিক্ষা বিস্তৃতভাৱে লৰাক সৰু কালৰে পৰা দিয়াটো অতি প্ৰয়োজন হৈ পৰিছে।

*বিজ্ঞান বিষয়ৰ কিতাপ ঃ-*

দুৰ্ভগৰ বিষয় যে বিজ্ঞান আৰু শিল্প সম্বন্ধীয় প্ৰয়োজনীয় কিতাপেই; বৰঞ্চকৈ, উচ্চ শিক্ষাৰ কথা নকলেও ডিগ্ৰীহীন ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবেও কিতাপ আমদানি কৰিবলগীয়া হৈছে। দেশতেই কিতাপবোৰ ছপাবৰ বাবে আৱশ্যকীয় প্ৰতিভাশালী লোকৰ নাইবা অন্য কোনো সম্পদৰেই অভাৱ নহয়। স্থিৰ পৰিকল্পনাহীন আৰু দুৰ্ব্বল কাৰ্য্যক্ষমতাই তাৰ বাবে দোষী। আন্তঃ বিশ্ববিদ্যালয় সমিতিয়ে চতুৰ্থ পৰিকল্পনাৰ শেষ ভাগলৈ স্নাতক মহলাৰ বাবে আৱশ্যকীয় প্ৰায়বোৰ কিতাপ আৰু স্নাতকোত্তৰ মহলাৰো আৱশ্যকীয় কিছুমান কিতাপ যুগুত কৰাৰ সিদ্ধান্ত কৰিছে। আমাৰ দেশতেই বিজ্ঞানৰ কিতাপ সমূহ ছপা হলে পাবলৈ সহজ সাধ্য হোৱাৰ লগে লগে গৱেষণাৰ বাবে বৈজ্ঞানীক সকলৰ অতি সুবিধা হব।

*আহিলা পাতি ঃ—*

বৈজ্ঞানীক গৱেষণাবোৰ ক্ৰমান্বয়ে জটিল হৈ আহিছে আৰু সেই বাবেই বিশেষ ধৰণৰ উন্নত দামী যন্ত্ৰ পাতি আৰু সা-সৰঞ্জামৰ আৱশ্যক হোৱা বাবে ই অতি ব্যয়বহুল হৈ পৰিছে। ভাৰতৰ বাবে ই এটা ডাঙৰ অভিশাপ। উদাহৰণ স্বৰূপে আমি ৰাসায়নিক গৱেষণাৰ বিষয়ে উল্লেখ কৰিব পাৰো। আমাৰ দেশৰ ডাঙৰ ডাঙৰ বিশ্ববিদ্যালয়ৰ লেবৰেটৰীবোৰতও

গৱেষণাৰ আৱশ্যকীয় সা-সঞ্জাম নাই। Mass spectrograph. digital computers, nuclear magnetic resonance apperatus আদি উচ্চ স্তৰৰ যন্ত্ৰপাতি আঙুলি মূৰত লিখিব পৰাকৈ ভাৰতত কেইটামানহে আছে কিন্তু আমেৰিকাৰ দৰে দেশত এইবোৰ আহিলাপাতি প্ৰায়বোৰ গৱেষণাৰ লেবৰেটৰীত ই আছে। তদুপৰি বিজ্ঞানৰ অগ্ৰসৰত বহুটো যন্ত্ৰ পাতি অতি সোনকালেই অচল হৈ পৰে। তাৰ ঠাইত নতুন যন্ত্ৰ পাতিৰ আৱশ্যক হয়। সেইবাবে আমদানি কৰাৰ পৰিবৰ্ত্তে দেশতে যাতে আহিলা পাতিবোৰ তৈয়াৰ কৰিব পাৰি তাৰ বাবে শিল্প বিদ্যাৰও সম্পূৰ্ণ আৱশ্যক। তথাপি নিম্নথাপৰ বিজ্ঞান শিক্ষাৰ বাবে আৱশ্যকীয় আহিলাপাতি যোগাবলৈ ভাৰত চৰকাৰে চেষ্টা কৰিব লাগিছে আৰু কিছুদূৰ কৃতকাৰ্য্যও হৈছে।

### *বিজ্ঞান বিভাগৰ শাসন :—*

প্ৰতি বিশ্ববিদ্যালয়ৰেই বিভাগীয় মূৰব্বী জনে গধুৰ শাসনৰ বোজা বহন কৰিবলগীয়া হয়। সা-সৰঞ্জাম সংগ্ৰহকৰণত শিক্ষাৰ ক্ষেত্ৰত আৱশ্যকীয় ভাৱে ব্যয় হোৱাকৈ কেৱল এজনৰ ওপৰতেই গুৰুভাৰ অৰ্পন নকৰি সুকলমে আৰু পৰিপাটিকৈ কৰিবৰ বাবে সহায়কাৰী নিযুক্ত কৰিবৰ বাবে University grants Comimission ৰ chairman ডি, এস, কুঠাৰীয়ে কয়। কিছুমান বিশ্ববিদ্যালয়ত হিচাব পৰীক্ষক নিযুক্ত কৰা প্ৰথাটো বৰ্ত্তমান যুগত এটা সুবিচাৰৰেই লক্ষণ।

গৱেষণাৰ দুটা বিভাগ হল মূল গৱেষণা (pure basic research) আৰু কাৰ্য্যকৰী গৱেষণা applied research) প্ৰায়ভাগ বিশ্ববিদ্যালয়তেই কাৰ্য্যকৰী গৱেষণা এৰি মূল গৱেষণাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। শিল্প উন্নত দেশ সমূহত কাৰ্য্যকৰী গৱেষণাৰ বাবে ধৰগুণি বেচি। বৰ্ত্তমান বিজ্ঞানৰ অগ্ৰগতিত, শিল্প বিজ্ঞানৰ ক্ৰমবিকাশত মূল গৱেষণা আৰু কাৰ্য্যকৰী গৱেষণাৰ পাৰ্থক্য অৰ্থাৎ বৈজ্ঞানিক গৱেষণা আৰু ইঞ্জিনিয়াৰিং গৱেষণাৰ মাজত পাৰ্থক্য নাইকিয়া হৈ পৰিছে। একেজনেই সময়ত মূল গৱেষণা আৰু সময়ত কাৰ্য্যকৰী বিষয়ত গৱেষণা কৰিব পৰা হৈছে। মূলতঃ কাৰ্য্যকৰী বিজ্ঞানক Ph. D. দানৰ বাবে সুবিধা দিয়া নাই। তাৰ কাৰণ এই বিজ্ঞানৰ বিকাশ সীমিত। ই স্থানীয় যন্ত্ৰ পাতি, নতুন উপায় আৰু কৌশলৰ ওপৰতেই নাষ্ট। কিন্তু মূল বৈজ্ঞানিক গৱেষণা আন্তৰ্জাতিক খ্যাতি সম্পন্ন। বিশেষকৈ যি দেশত বিজ্ঞান এটা তুলনামূলক ভাৱে নতুন বস্তু সেই দেশত ইয়াৰ সন্মান অতি বেচি। মূল গৱেষণাই কাৰ্য্যকৰী গৱেষণাৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ সুবিধা পাইছে— এই সন্মানৰ পৰাই। কাৰ্য্যকৰী গৱেষণাক কিছু উন্নত কৰি আন্তৰ্জাতিক খ্যাতি প্ৰদান কৰি মূল গৱেষণাৰ সমপৰ্য্যায়ৰ সন্মান দিবৰ বাবে আন্তৰ্জ্জাতিক বিজ্ঞান সন্থাই ইচ্ছা কৰে আৰু সেয়ে হলে শিল্প বিষয়ত পৃথিবীৰ উন্নতি আৰু বহুল হোৱাটো নিশ্চিত।

### *বিশ্ববিদ্যালয়ৰ বাহিৰত মূল গৱেষণা*

মূল গৱেষণাৰ ক্ষেত্ৰত এটা বিশেষ কথা মনকৰিবলগীয়া। বৰ্ত্তমান বহুতো শিক্ষানুস্থান দেখা যায় যিবিলাকে বিশ্ববিদ্যালয়ৰ দৰেই গৱেষণা কৰে আৰু বিশ্ববিদ্যালয়তকৈ বেলেগ ৰূপে কাৰ্য্যৰ বৰ্ণনা দিয়ে। এই শিক্ষানুস্থান সমূহত বৈজ্ঞানিক সকলক অধিক বেটন দি, দামী অৰ্থাৎ ভাল ভাল সা-সজুলিৰে

গঠিত ডাঙৰ ডাঙৰ ঘৰত গৱেষণা কৰা দেখা যায়। এক প্ৰকাৰ সাধাৰণ দৃষ্টিত ই ভাল বেই লক্ষ্য হলেও উপযুক্ত শিক্ষা দিবৰ এই লোক সক্ষম হব পৰা নাই আৰু অন্য হাতেদি দেশৰ সম্পদো যথেষ্ট ব্যয় হৈছে তদুপৰি এই অনুষ্ঠান বিলাকৰ দৃষ্টি বাণিজ্যিক প্ৰধান হৈ উঠাটো দেশৰ বেজাৰৰ কাৰণ হৈ পৰিছে। বিশ্ববিদ্যালয় সমূহ শিক্ষা ও গৱেষণাৰ ক্ষেত্ৰত কাৰ্য্যকৰী হৈ উঠিব যদিহে আৱশ্যকীয় অভাৱ অভিযোগবোৰ পূৰ্ণ হয়। জাতীয় বিজ্ঞান কৌশলে এনেধৰণৰ শিক্ষানুষ্ঠান সমূহক বিশেষ অসুবিধা নহলে বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত কৰাৰ চেষ্টাত আছে।

বহুতো গৱেষণাগাৰ হোৱাত বিশ্ববিদ্যালয় সমূহত যোগ্য অভিজ্ঞতাসম্পন্ন বৈজ্ঞানিকৰ অভাৱও দেখা গৈছে। ডক্তৰ এইচ. জে, ভাবাই মৃত্যুৰ কিছুদিনৰ আগেয়ে সেয়েহে International Council of Scientific Union ৰ এখন সভাত প্ৰসঙ্গক্ৰমে কৈছিল, "............The attempt to fill senior posts by mature scientists from outside must inevitably lead to their being taken away from the only institutions which have— scientists in some measure, however inadequate, in an under developed country, namely, the univer sities. It cannot be disputed that the cast of building the national laboratories on the lines followed by the Council of Scientific and Industrial Research has been the weakening of the universities by the drawing away of some of their good people, which is their most valuable asset."

## জাতীয় বিজ্ঞান কৌশল

ভাৰতীয় বিজ্ঞান কৌশল আৰু এই বিষয়ৰ আলোচনা-মীমাংসা আদি জাতীয় অৰ্থ নৈতিক আৰু প্ৰতিৰক্ষা বিভাগত বিশেষ ভাৱে জড়িত। বিজ্ঞান কৌশল সুচাৰু ৰূপে পৰিচালনা কৰিবৰ বাবে এখন পৰামৰ্শদায়ী কমিটিৰ প্ৰয়োজন। ডক্তৰ কুঠাৰীৰ মতে এই কমিটিত প্ৰত্যেক গৱেষণা সম্বন্ধীয় বৈজ্ঞানিক অনুষ্ঠানৰ মুখিয়ালসকল থাকিব পাৰিব। তদুপৰি বিশিষ্ট উঠি অহা অসাধাৰণ বৈজ্ঞানিক সকলেও ইয়াত যোগ দিব পাৰিব। তেওঁলোক বিশ্ববিদ্যালয়ৰ পৰা, গবেষণাকাৰী শিক্ষানুষ্ঠানৰ পৰা আৰু অন্য শিল্প বা সাধাৰণ লোকৰ মাজৰো হব পাৰিব। এই কমিটিত বৈজ্ঞানিকৰ উপৰিও শিল্প পৰিচালনা বিষয়ত অভিজ্ঞ অৰ্থনৈতিক আৰু সামাজিক জ্ঞানীলোকও সংশ্লিষ্ট থাকিব। ডক্তৰ কুঠাৰীৰ মতে এই বিজ্ঞান পৰিষদত কোনো শিল্প বিজ্ঞানত জড়িত নথকা অথচ এই বিষয়ত অধিক ৰাপ থকা লোককো সুপৰিচালনাৰ বাবে অন্তৰ্ভুক্ত কৰা হব।

জাতীয় বিজ্ঞান কৌশলৰ অন্য এটা প্ৰধান উদ্দেশ্য হল আন্তৰ্জ্জাতিক বিজ্ঞান সম্বন্ধটো দৃঢ় কৰা। ভাৰতৰ এনে কৌশলে আন্তৰ্জ্জাতিক বৈজ্ঞানিক সংগঠন সমূহত অংশ গ্ৰহণ কৰিবলৈ আগ বাঢ়িব পাৰিব। ইতিমধ্যে International Council of Scientific Unions ৰ সভ্য হিচাবে ভাৰতে অন্যদেশৰ লগত তুলনামূলক ভাৱে কম হলেও খ্যাতি আৰ্জ্জন কৰিছেই। ভাৰতৰ বিজ্ঞান কৌশল কৃতকাৰ্য্য হলে এইটো অতি আনন্দৰ কথা হব যে ভাৰতৰ বিজ্ঞান শিক্ষাই অন্য দেশসমূহৰ বিজ্ঞান শিক্ষাৰ সৈতে খোজ মিলাই কাৰ্য্য সম্পন্ন কৰাত কৃতিত্ব আৰ্জ্জন কৰিব আৰু জগতে জগতে সদায় স্থীৰে নথকা ৰাজনীতি বিষয়ত ও দেশ সজাগ হব পাৰিব।

---

# হেমবৰুৱাৰ কৱিতাত

মঃ আবুল বছৰৰুৱ
১ম বাৰ্ষিক ঃ বিজ্ঞান

হেমবৰুৱাক আধুনিক অসমীয়া কবিতাৰ পথ প্ৰদৰ্শক বুলি কলেও বোধকৰো অত্যুক্তি কৰা নহব। বহুল মানসিক মানচিত্ৰেৰে সমৃদ্ধ এইজনা কবিয়ে যোৱা দুই দশক জুৰি কবিতা ৰচনা কৰি আহিছে। তেওঁ আধুনিক অসমীয়া কবিতাৰ এক নতুন দিগন্ত মুকলি কৰিছে। কাব্য তেখেতৰ ব্যস্ত ৰাজনৈতিক জীৱনৰ জিৰণিৰ মাজুলী নহয়; যিটো মহিম বৰা আৰু আব্দুল মালিক আদিৰ ক্ষেত্ৰত প্ৰযোজ্য।

হেমবৰুৱাৰ কবিতাৰ ওপৰত সমালোচনা এই প্ৰবন্ধৰ লক্ষ নহয়। যদি সেয়ে নহয় তেন্তে এই প্ৰবন্ধ কিয় লিখা হল বুলি যদি প্ৰশ্ন হয়, তাৰ উত্তৰত ইমানকে কম যে হেমবৰুৱাৰ কৱিতা অলপ বুজি পাওঁ আৰু ভাল লাগে কাৰণেই এই প্ৰবন্ধ লিখা হৈছে। আৰু হয়তো অবদমিত মনৰ আত্ম প্ৰকাশৰ গভীৰ ইচ্ছাৰ কাৰণে। তত্বগধূৰ আলোচনা আৰু "কটোছনৰে" সমৃদ্ধ নহয় এই প্ৰবন্ধ। এজন কলেজীয়া ছাত্ৰৰ তৰলতাৰে লিখা হৈছে এই প্ৰবন্ধ।

"বালিচন্দা" (১৯৬০) আৰু মন-ময়ুৰী (১৯৬৫) হেমবৰুৱাৰ কাব্য সঙ্কলন। ইয়াৰ উপৰিও তেওঁৰ অলেখ কবিতা আলোচনাৰ পাতত সিঁচৰিত হৈ আছে। বহুতো তিতা মিঠা অভিজ্ঞতাৰ ফল হেমবৰুৱাৰ কবিতা।

আজিৰ অসমীয়া কবিতাৰ ওপৰত এটা সমালোচনা প্ৰায়ে শুনা যায় যে ই মাথোন কিছুমান সুন্দৰ শব্দৰ সমষ্টি আৰু ই সৰ্ব্বসাধাৰণৰ বোধগম্য নহয়; ই মাথোন এমুঠি বুদ্ধিজীৱিৰ কাৰণেহে। কিন্তু কোনো এজন কবিৰ কবিতা পঢ়াৰ আগতে যদি তেওঁৰ ব্যক্তিগত জীৱনৰ বিষয়ে জনা যায় তেন্তে সেই কবিৰ কবিতা বুজা কিছুপৰিমানে সহজসাধ্য হয়। আধুনিক কবিতা পঢ়াৰ আগত পাঠকৰ অন্তৰ সহানুভূতিশীল হব লাগিব নহলে কবিৰ অন্তৰৰ আকুতিয়ে পাঠকৰ অন্তৰ নপৰশিব। ফলত কবিতাৰ মূল সুৰ পাঠকৰ কাৰণে অজ্ঞাত হৈয়েই ৰব আৰু পাঠকৰো মানস পৰিণত হব লাগিব। সেয়েহে বোধকৰো মণ্টগোমাৰি বেলজিয়ামে কৈছিল "পাঠকৰ মানস যিমানে পৰিণত হব ইয়াৰ আবেদন সিমান গভীৰ হব।"

হেমবৰুৱাৰ কবিতাত এই যুগৰ মহান কবি সকল এলিয়ট, ওডেন, হুইটমেন আদি কবি সকলৰ প্ৰভাৱ পৰিছে। গভীৰ অধ্যয়নশীল এইজনা কবিৰ কবিতাত এই সকল কবিৰ

প্ৰভাৱ পৰা একো আচৰিত কথা নহয়। বহল মানসিক মানচিত্ৰৰে সমৃদ্ধ এইজন কবিৰ সমসাময়িক বিদেশী কবিতাৰ লগত চিনাকী গভীৰ। ইয়াৰ দ্বাৰা তেওঁ অসমীয়া কবিতাৰ বিষয় বস্তুৰ পৰিসৰ বঢ়াইছে।

হেমবৰুৱাৰ কবিতা বুজিবলৈ হলে বিশ্বৰ খবৰো জানিব লাগিব। পিকাছো, ৩৮ পেৰেলেন আদিৰ পৰা আৰম্ভ কৰি চনিয়াকো জানিব লাগিব। এহাতে সক্ৰিয় ৰাজনীতি আৰু আনহাতে কবিতা এই দুয়োটা পৃথক বস্তুৰে অপূৰ্ব্ব সমন্বয় ঘটাইছে হেমবৰুৱাই। অৱশ্যে এনেকুৱা উদাহৰণ বিৰল নহয়। পাবলো নেৰুদা, ছাজ্জাদ জাহীৰ, হো-চি-মিন আদি ইয়াৰ উদাহৰণ। সেয়েহে আজি অলপ দিনৰ আগতে এখন বঙালী কাকতে বঙালী পাঠক বৰ্গক পৰিচয় কৰাই দিওঁতে পাৰ্লামেণ্টৰ হেমবৰুৱা আৰু কবি হেমবৰুৱা দুই জনকে পৰিচয় কৰাই দিছিল।

হেমবৰুৱা আধুনিক কবি, আৰু আধুনিক কবিতাত ছন্দৰ বান্ধোন টান নহয়। হেমবৰুৱাই অপূৰ্ব্ব শব্দ চয়নেৰে "স্পন্দিত গদ্যেৰে মানুহৰ চিন্তাধাৰাৰ সামগ্ৰীক ৰূপটো প্ৰকাশ কৰিছে" যি পাঠকৰ অন্তৰ বহুত পৰলৈ দোলা দি যায়। পাঠকক ভবাই তোলে— বহুত পৰলৈ। ইয়াতে কবিতাৰ সাৰ্থকতা। এই দিশতে হুইটমেনৰ লগত হেমবৰুৱাৰ সাদৃশ্য আছে। হুইটমেনেও কবিতাত "বিদম" আৰু "ৰাইমৰ" আৱশ্যকতা অস্বীকাৰ কৰিছিল।

"হেমবৰুৱাৰ মানস চিত্ৰবোৰৰ সৌন্দৰ্য্য সপোনৰ দৰে কোমল ছুঁয়া ময়া আৰু আনফুলীয়া তেওঁৰ উদাহৰণৰ পৰা দেখা যায়"--

"সোণালী মোক এবাটি আপং দিয়া, তোমাৰ তাম্বুলৰ শিখাযেন ৰঙা"।

অনহাতে এই যুগৰ আন এজন অন্যতম অসমীয়া কবি নৱকান্ত বৰুৱাৰ লগত হেমবৰুৱাৰ অলপ অমিল আছে। নৱকান্তৰ কবিতাত মানুহৰ ব্যক্তিগত জীৱনৰ সুৰ স্পষ্ট নহয়। কিন্তু নিজৰ আত্মাৰ ওপৰত গভীৰ জিজ্ঞাসা নৱবৰুৱাৰ কবিতাত। নৱবৰুৱা প্ৰধানকৈ জনতাৰ কবি নহয়— কিন্তু হেমবৰুৱা জনতাৰ কবি। এই ক্ষেত্ৰত অৱশ্যে হেমবৰুৱা ৰাম গগৈৰ ওচৰত অলপ হীন। কিয়নো 'সৰ্ব্বহাৰা জীৱনৰ বেদনাৰ দলিল" হে ৰাম গগৈৰ কবিতা।

আমি সাধাৰণতে কবিতা বুলিলে কিছুমান অলস কল্পনা, ভাল ভাল শব্দৰ সমষ্টি আৰু পলায়নবাদৰ মনোবৃত্তিকেই বুজো। উদাহৰণ স্বৰূপে যিটো ৰোমাণ্টিক যুগৰ কবিতাত দেখা যায় –

"তুমি আৰু মই সোণ নিৰন্নাত সাজিম পজা
পৃথিৱীত আৰু নৰব দুখ আৰু অৱহেলা।"

প্ৰিয়তমাৰ ৰূপৰ বৰ্ণনা কবিতাৰ এক অবিচ্ছেদ্য অংগ বুলি বহুতেই ভাবে। কিন্তু হেমবৰুৱাৰ কবিতাত তাৰ পৰিৱৰ্ত্তে দেখা যায় "নিত্য দিনৰ ৰুক্ষ্য বাস্তব কাহিনী, ঘামৰ গোন্ধ আৰু সদ্যজাত উপমাৰ অমেয় ব্যঞ্জনা। উদাহৰণ স্বৰূপে তেওঁৰ চনিয়া কবিতাত দেখা যায়

"তাইক মই দেখিছিলো,
কোনো এক জোৎস্নাম্লান ফাগুনৰ নিশা:
ওহো দেখা নাই। কতো দেখা নাই।
এয়া মোৰ উদ্‌ভ্ৰান্ত কল্পনা।
দেখিছিলো: প্ৰখৰ ৰদত

মদন ুৰ বাগিচাত, য'ত শ্ৰম আছে
ক্লান্ত আছে,
আৰু আছে নিতৌ মন্ধিয়া
এমুঠি ভাগৰ, এবাটি মৰম,
এগোতাল নাচ আৰু গান ঃ
আৰু
যৌৱন বাগৰা হাঁহি, ৰাঙালী প্ৰাণ ।''

হেমবৰুৱা বিনয়ী কবি । জ্ঞানৰ তাপেৰে নত তেওঁৰ শিৰ । সেয়েহে সদ্যপ্ৰকাশিত তেওঁৰ কবিতা পুথি "মনময়ূৰীৰ' আৱস্তুণীত তেওঁ লিখিছে—

''সমস্ত ৰসক কোনো জানিবাক পাৰে ।
পক্ষীসব উৰয় যেন পথা অনুসাৰে ॥''

ইয়াৰ উপৰিও তেওঁৰ "পোহৰতকৈ আন্ধাৰ ভাল" কবিতাত তেওঁৰ বিনয়তাৰ পৰিচয় পোৱা যায় ।

সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই । আমি
বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল''

এতিয়া আচল কথলৈ আহো—

বালিচন্দা আৰু মনময়ূৰীৰ বিষয়ে ঃ—

বালিচন্দাত (১৯৬০) হেমবৰুৱাৰ যৌৱনৰ বিদ্ৰোহৰ গান সুস্পষ্ট । তেওঁৰ কবিতাত মাক্সৰ সুৰ শুনা যায় । দ্বিতীয় মহাযুদ্ধৰ ভয়াবহৰূপ, আৰু কোৰিয়াত যুদ্ধৰ বিভীষিকা দেখি হেমবৰুৱাৰ সংবেদনশীল মনটোৱে সেয়েহে চিএঞৰি উঠিছিল—

'শান্তিৰ শিল্পী পিকাছো ॥ তুমি কাঠৰ
ফ্ৰেমৰ মাজত বন্দী । কোৰিয়াৰ গৰালত ঃ
মৃত মূৰ্তিবোৰ কবৰ খানাত ;
আমাৰ কঙ্কালে কান্দে"

ইয়াক বুজিবলৈ হলে আমি বিশ্বৰ বিষয়ে বহুত জানিব লাগিব । সেয়েহে কোনোবাই কৈছিল, 'হেমবৰুৱাই বাতৰি কাগজৰ লগত ওচৰ সম্বন্ধ থকা পাঠক বিচাৰে ।"

হেমবৰুৱাৰ অপূৰ্ব্ব শব্দচয়নৰ পৰিচয় পোৱা যায় তেওঁৰ 'মমতালৈ চিঠি" নামৰ কবিতাত ।

এই সময়চোৰাৰ ভিতৰত তেওঁ আন এটা কবিতা "সাপ"ত আত্ম সমালোচনা আৰু আত্ম বিশ্লেষণৰ সুৰ শুনা যায় । সেয়েহে তেওঁ লিখিছে—

......''তুমি কিতাপ পঢ়িছা ? বহুত কিতাপ
নহয় জানো ? কি কি কিতাপ বাৰু ?
কিছুমান সোণবৰণীয়া, কিছুমান ভাল ভাল
ছবি থকা নহয় জানো ?''...

'তুমি অজ্ঞান তোমাৰ জ্ঞানৰ বন্তি
জ্বলিবলৈ এতিয়াও বহুত বাকী''

''মনময়ূৰী'' হেমবৰুৱাৰ সদ্য প্ৰকাশিত পুথি । ময়ূৰৰ পাখীৰ দৰেই বিচিত্ৰ বৰ্ণালীৰ কবিতা আছে । এই কবিতা পুথিত তেখেতৰ পৈনত ব্যক্তি মানসৰ চিন সুস্পষ্ট । অভিজ্ঞতাৰ লগে লগে জীৱনৰ ওপৰত ধাৰণাৰো পৰিৱৰ্ত্তন ঘটে । যেনেকৈ এজনী ৰাংঢালি কলেজ কুইনৰ জীৱনৰ ওপৰত যি ভাৱ তাৰ লগত এগৰাকী বিগত যৌৱনা বৃদ্ধাৰ জীৱনৰ ওপৰত ভাবৰ প্ৰাৰ্থক্য ঘটিব । হেমবৰুৱাৰ ভাষাত কবলৈ গলে "আপনি বয়স হলে বুদ্ধি হৈবে ভাল "

মনময়ূৰীৰ "এটা আৱিস্কাৰ'' কবিতাত হেমবৰুৱাই নিজৰ বুদ্ধিজীৱি মনটোক সমালোচনা কৰিছে । এৰা আজি কালি আমি কিবা হৈ গৈছো । আজিকালি আমি বহুত

জানো। কিন্তু সঠিক পথৰ সন্ধান ক'ত। যুগে আমাৰ সকলোবোৰ অনুভূতিকেই ভেজাল কৰি দিলে। এই কথাটো অলপতে লক্ষী-নন্দন বৰাই এটা গল্পৰ সহায়েৰে খুব ভালদৰে ফুটাই তুলিছিল। সেয়েহে হেমবৰুৱাই কৈছে—

"মই কথা পাতোঁ
ৰাজনীতি আৰু বিলাহী বেঙেনাৰ"

হেমবৰুৱাৰ কবিতাত কোনো কলেজীয়া ডেকাৰ প্ৰেমিকাৰ প্ৰতি লিখা কবিতাত যিটো দেহৰ বৰ্ণনা পোৱা যায় সেইটো নাই তাৰ পৰিবৰ্ত্তে আছে, এক বিষাদময় গভীৰ দৃষ্টি। এৰা আমাৰ— Sweetest songs are those which tales of saddest thought."

সেয়েহে তেওঁ লিখিছে

"মুখখন তাইৰ, আলি আকবৰ খাৰ
সৰোদৰ নিজম মূৰ্চ্ছনাহে যেন"।

ইয়াক বুজিবলৈ জীৱনৰ ওপৰত গভীৰ দৃষ্টি লাগিব। আলি আকবৰ খাৰ সৰোদৰ সেই বিষাদময় স্নিগ্ধতা বুজা এটা সংবেদনশীল মন থাকিব লাগিব। এই কবিতাত তেওঁ "শান্তাফে" নামৰ চহৰ খনৰ নাম দি এক অদ্ভুত শান্ততাৰ সৃষ্টি কৰিছে। ই তেওঁৰ অপূৰ্ব্ব শব্দ চয়নৰ নিদৰ্শন।

আমাৰ সকলোৰে এই তথাকথিত সভ্যতা এৰি সেই আগৰ পৃথিৱীলৈ ঘূৰি যোৱাৰ আকুতি আছে। কিমান সৰল সেই পৃথিৱী সহজ সৰল মৰমেৰে ভৰপূৰ। হেম বৰুৱাৰো।

বুদ্ধিজীৱি মনটোৰো এই তথাকথিত সভ্যতালৈ মাজে মাজে বিৰাগ জন্মে। সেয়েহে "এই ৰং এই সুৰভি" নামৰ কবিতাত তেওঁ লিখিছে—

..."এই মুখ দেখিছিলোঁ,
ধনশিৰীৰ কোনো এক আদিম গাৱঁত
সেইখন মিৰি গাওঁ
য ত স্কুল নাই, এ, বি, চি ও পঢ়া নাই
কোনেও কেতিয়াও......

ইয়াক পঢ়ি তেওঁক কিন্তু পলায়নবাদী বুলিলে ভুল কৰা হব।

হেমবৰুৱাই কেতিয়াবা কিছুমান শব্দৰে খুব গভীৰ ভাবে, আপোন ভাবে, খুব নিবীড় ভাবে, একোটা মূহুৰ্ত্ত ফুটাই তুলিব পাৰে। উদাহৰণ স্বৰূপে তেওঁৰ "এমুঠি কবিতা" দেখা যায়—

... .."খিৰিকীৰ পৰ্দাৰ এচুকেদি মোৰ
এজাক জোনাক সৰকি পৰিছে
শীতল, কোমল
ময়নামতী জোনাক।

এই কবিতাটোত জাপানী হাইকু কবিতাৰ সুৰ শুনা যায়।

পৃথিৱীৰ বহু অভিজ্ঞতা আমাৰ আইতা-বোৰৰ মুখত সঞ্চিত হৈ আছে। সেয়েহে আমাৰ আইতাবোৰক বৰ মৰম লাগে। হেম বৰুৱাই সেয়েহে এগৰাকী আইতাৰ বিষয়ে লিখিছে—

"তুমি আই, লাখুটিত ভৰ দি
খুপি খুপি বিচাৰিছা কি ?
মোৰ যৌৱনৰ, সপোনৰ,
বাটৰ ধূলত বিজ্ঞানিক আছে লীন হৈ"

এই কবিতাই যি কোনো সংবেদন-শীল পাঠকৰে অন্তৰ ভৰাই তুলিব পাৰে গভীৰ প্ৰশান্তিৰে।

"আফ্রিকা" নামৰ কবিতাটো হেম বৰুৱাৰ ৰাজনৈতিক সচেনত মনৰ চিনাকী। এখন নিপীড়িত দেশৰ, জাতিৰ প্ৰতি গভীৰ ভাল পোৱা এই কৱিতাৰ মাজেৰে প্ৰতীয়-মান হৈ উঠিছে। এই ভাল পোৱা অতি নিবিড়, অতি গভীৰ— ই সঁচা ভাল পোৱা। উদ্দেশ্য. সিদ্ধিৰ স্বাৰ্থপৰতা নহয়। ইয়াৰ উপৰি তেওঁৰ "তেজৰ চপৰা কাৰ" আদি কবিতাই তেওঁৰ সমাজ সচেতন মনৰ চিনাকী দিয়ে।

মুঠতে হেম বৰুৱা অসমীয়া কাব্য আকাশৰ ভোটা তৰা। জীৱনৰ ওপৰত গভীৰ দৃষ্টি, মানুহৰ ওপৰত গভীৰ ভালপোৱা, তথাকথিত সভ্যতাৰ কৃত্ৰিমতাৰ ওপৰত তীব্ৰ শ্লেষ আৰু গভীৰ অধ্যয়নশীল মনৰ চিনাকী তেওঁৰ কবিতা। তেওঁৰ কবিতাত যদিও বহুত কথাই পোৱা যায় তথাপি মাটিৰ মোহেই তেওঁৰ কবিতাৰ প্ৰাণ। যিটো মাখো সাৰ্থক কবিৰ ক্ষেত্ৰতহে সন্তৱপৰ, তেওঁৰ কাব্যিক মনে যদিও উৰো উৰো কৰে কিন্তু উৰিব নোৱাৰে। সেয়েহে কোনোবাই কৈছিল

"উৰো উৰো কৰে মন ডেউকা ভগা।"

যিটো মানুহৰ আটাইতকৈ ডাঙৰ ট্ৰেজেদী।

---

সাহিত্যাই জাতিৰ মানসিক উৎকৰ্ষৰ দাপোন। জাতিক-জীৱনৰ সন্ধিক্ষণত জনমত সবল কৰি গঢ়ি তুলি জাতিক প্ৰকৃত বাট দেখুৱাত সু সাহিত্যাই যিদৰে সহায় কৰে, সেইদৰে আন একোৱে সহায় কৰিব নোৱাৰে।

—লোকপ্ৰিয় গোপীনাথ বৰদলৈ।—

# 'শায়ৰ' আৰু গালিব

মঃ ইক্ৰামুল ইচলাম
নিম্ন স্নাতক বিজ্ঞান

উৰ্দু ভাষাত যিবিলাকে কথা পাতে, চিঠি লিখে, তেওঁলোকে কথাই কথাই এফাঁকি নহয় এফাঁকি 'শায়ৰ' নিলিখাকৈ নোৱাৰে। তেওঁলোকৰ ভিতৰত যিবিলাকৰ মনৰ বনত যৌৱনৰ পছোৱা বতাহ লাগে তেওঁলোকৰ জিভাৰ আগত নাচি থাকে কত বিচিত্ৰ 'শায়ৰ'; আৰু তাৰে সৰহভাগ হ'ল মিৰ্জা গালিবৰ। টাংগাৱালাৰ পৰা আমিৰ ওমৰাহ-লৈকে, ফেৰীৱালাৰ পৰা সাউদৰ পুতেকলৈকে সকলোৰে মুখে মুখে গালিবৰ 'শায়ৰ'। এই 'শায়ৰ' যেনিবা অকণমানি একোটা সোণৰ টেমাত ভৰাই থোৱা মুঠি মুঠি মুকুতা মণি। তাৰে এমুঠি সিচি দিলেই কথাবোৰ জিলিক জালাক কৰি উঠে। যিখিনি কথা কবলৈ ভাষাৰ নাটনি, সেইখিনি কথা 'শায়ৰ'ৰ দুটা চৰণতে কোৱা হৈ যায়। সেইবাবেই 'শায়ৰ' ইমান আদৰ। গালিবৰ 'শায়ৰ' যেনিবা বাটৰ দুৱৰি বন, অথচ তাত আছে সৰগৰ অসীম বতৰা।

কবি হিচাবে গালিব দুঁ-পোহৰৰ কবি। এক যুগসন্ধিৰ কবি। এহাতে মোগল যুগৰ বেলি মাৰ যোৱাৰ বেদনা আনহাতে এটা নতুন ৰাতিৰ জন্ম বেদনা। এই যুগটোৰে বিচাৰিলে, কবিতা মোগল জেনানাৰ ওৰণি গুচাই ৰাজপথৰ সাধাৰণৰ মানুহৰ মাজত থিয় দিয়হি। গালিবৰ কবিতা সেই যুগে বিচৰা সাধাৰণ মানুহৰ কবিতা। তেওঁ যেতিয়া লিখিছিল :—

কোঁ ন ফিদেছি কো দোজখ মে মিলা লে য়া ৰব
সৈৰ কে ৱাস্তে থে জগহ ঔৰ সহী।

"হে ভগৱান নৰকৰ লগত সৰগ মিলাই নেপেলোৱা কিয় ? আনন্দৰ কাৰণে কিজানি এধানমানি ঠাই কুলালেইহেঁতেন।"

তোতয়া তেওঁৰ কবিতাই সাধাৰণ মানুহৰ হৃদয় অতি সহজেই জয় কৰি লয়। এই এটা যুগ, যেতিয়া মানুহে এধানমান মনৰ আনন্দৰ বাবে হাবাথুৰি খাবলগীয়া হৈছিল। গালিবে তেওঁৰ কৰিতাত সেই যুগটোৰ সমূহীয়া হুমুনিয়াহটোকেই এটা প্ৰাৰ্থনাৰ ৰূপ দিছিল।

আৰু তেওঁৰ প্ৰেমৰ কবিতাবোৰ ? হৃদয় জয় নকৰাকৈ থাকিব পাৰে সেই কবিতা বোৰে ? এটা কবিতাত লিখিছে :—

কহতে হে ন দেংগে হম দিল
কহতে হে ন দেংগে হম দিল
অগৰ পড়া পায়া
দিল কহাঁ কি গুম কীজে
হমনে মুদ্দৱা পায়া
ইশক্ সে তবীয়ত নে জীস্ত্
কা মজা পায়া
দৰ্দ কী দয়া পাঈ দৰ্দ বেদৱা পায়া

"তুমি কৈছা এই হৃদয় তুমি বুৰ্টলি লৈছা, ঘূৰাই দিব নোৱাৰা। হৃদয় ক'ত আছে যে তাক লুকুৱাই থবা ? মোৰ জীৱনৰ কামনা পূৰ হ'ল, জীৱনৰ আনন্দ বিচাৰি পাইছো, সকলো ৰোগৰ ঔষধ বিচাৰি পাইছো আৰু কি পাইছো জানা ? এনেকুৱা এবিধ প্ৰেমৰ ৰোগ, যাৰ কোনো ঔষধেই নাই।"

গালিবৰ দৃষ্টিত প্ৰেম এক অদ্ভুত ৰোগ। এই ৰোগৰ চিকিৎসা নাই। পৃথিবীত যদি কোনোবাই কিবা ৰোগত ভুগিবলৈ কামনা কৰে, সেই ৰোগটো হ'ল প্ৰেম। সেই বাবেই আন এটা কবিতাত লিখিছে : –

বুলবুল কে কাৰোবাৰ পে
হৈ খন্দা-হায় গুল
কহতে হৈঁ জিস্ কো ইশক্
খলল হৈ দিমাগ কা।

"বুলবুল পখীয়ে যেন কৈছে, ফুলবোৰে হাঁহিহে চোৱা। তেওঁকেই কৈছে, যাৰ হৃদয়ত ঘটিছে প্ৰেমৰ ব্যাধি।"

হাঁহি থকা ফুলৰ দৰে আশাৰে ৰঙীন এই প্ৰেমৰ গতি। বিচিত্ৰ মুহূৰ্ত্ত মুহূৰ্ত্তে তাৰ ৰং সলনি হয়।

ইশক্ পৰ জোৰ নহী হৈ
যে ৰো আতিছ 'গালিব'
কি লগায়ে ন লগে
ঔৰ বুঝায়ে ন বনে।

"প্ৰেমৰ ওপৰত গালিবৰ কোনো ক্ষমতা নাই। জ্বলাব খুজিলে সি নজ্বলে, নুমাব খুজিলে সি নুনুমায়।"

গালিবে তেওঁৰ জীৱনত প্ৰেম সম্পৰ্কে কোনো এটা স্পষ্ট সিদ্ধান্তত উপনীত হব পৰা নাই। তেওঁৰ প্ৰেমীক জীৱনৰ বিষয়ে বহুতো কাহিনী মানুহৰ মুখে মুখে চলি আহিছে। সেই যুগৰ ৰীতি অনুসাৰে তেওঁ বহু ৰূপহীৰ দুৱাৰত আলহী হৈছিল। দেৱতায়ো নেজানে নাৰীৰ আচল প্ৰকৃতিটো। গালিবে জানিব কেনেকৈ ? তেওঁৰ বিভিন্ন প্ৰেমিকাৰ পৰা প্ৰেমৰ সঁহাৰি বিচিত্ৰ ধৰণে পাইছিল।

মুহব্বত মেঁ নহী হৈ ফৰ্ক
জীনে ঔৰ মৰণে কা
উসীকো দেখকৰ জীতে হৈঁ
জিস্ কাফিৰ পে দম নিকালে।

"প্ৰেমৰ ক্ষেত্ৰত জীৱণ মৰণত কোনো পাৰ্থক্য নাই। মৰিবলৈ লোৱা নাস্তিকো তেওঁক দেখা পাই বাচি উঠে।" কোনোৱে হয়তো গালিবৰ পিনে উভতি চোৱাই নাছিল। পিচ মুহূৰ্ত্তত্তে নিজৰ ভুল বুজি উঠি হৃদয় উবুৰিয়াই দিছিল। সেই প্ৰেমৰেই ৰূপটো গালিবে এইদৰে আঁকিছে :—

কভী নেকী ভী উস্ কে জী মেঁ
গৰ আ জাএহৈ মুঝসে
জফাএঁ কৰকে অপনী য়াদ
শৰমা জা এ হৈ মুঝসে।

"কেতিয়াবা যেতিয়া প্ৰেমিকাৰ মন মোৰ প্ৰতি সদয় হ'ব খোজে. ঠিক তেতিয়াই তেওঁ মোৰ ওপৰত কৰা অত্যাচাৰৰ কথা মনত পেলাই লাজতে মুচকচ যায়।" কিন্তু বেচিভাগ ৰূপহীৰ পৰাই তেওঁ যেন বিচৰা বস্তু পোৱা নাছিল। সেইবাবে গালিবে তেওঁৰ বেচিভাগ কবিতাতে প্ৰিয়াৰ এক নিষ্ঠুৰ ৰূপৰ বৰ্ণনা দিছে :—

আহ কো চাহিয়ে ইক উম্ৰ
অসৰ হোলে এক
কৌন জীতা হৈ তেৰী জুলফে
কে সৰ হোনে তক।
আশিকী সব্ৰ তলব ঔৰ তমন্না বেতাব
দিল কা ৰংগ কৰঁ
খুনে-জিগৰ হোনে তক।
হমনে মানা কি তগাফুল
ন কৰোগে লেকিন
খাক হো জায়েংগে হম তুমকো
খবৰ হোনে তক
গমে হস্তী কা 'অসদ' কিসাস
হো জুজ মৰ্গ ইলাজ
শম অ' হৰ ৰংগ মেঁ জলতী হৈ
সহৰ হোনে তক।

"দীঘলীয়া হুমুনিয়াহ পাবলৈ এক যুগ লাগি যাব। তোমাৰ চুলি কোচা জয় কৰি লবলৈ যিমান দিন লাগিব সিমান দিনলৈ জানো জীয়াই থাকিম? প্ৰেমৰ বাটত ধৈৰ্য্যৰ প্ৰয়োজন! কিন্তু আনহাতে আছে অধীৰ কামনা। প্ৰাণ শেষ হৈ নোযোৱা পৰ্য্যন্ত মই মোৰ হৃদয় কোন ৰঙেৰে ৰঙাই লওঁ বাৰু? মানি লৈছোঁ, তুমি মোৰ প্ৰেম উপেক্ষা নকৰা, কিন্তু তোমাৰ চেতনা আহে মানে মই যে মৰি ভুত হৈ যাম, মৃত্যুৰ বাহিৰে এই জীৱন বেদনাৰ কোনো ঔষধেই নাই। তথাপি মজলিচৰ চাকিটো যে নিশা নুপুৱাই মানে জ্বলিয়েই থাকিব লাগিব।"

এই দীঘলীয়া কবিতাটো উৰ্দু সাহিত্যৰ এক অতি মূল্যবান সৃষ্টি। এয়া গালিবৰ ভগা হিয়াৰ কৰুণ বিননি, কেতিয়াবা তেওঁ এনেকুৱা হৃদয়বিহীন ৰূপহীৰ প্ৰতি একেবাৰে পৰিস্কাৰ ভাষাত অভিযোগ আনিছে :—

হমকো উনসে ৱফা কী হৈ উমীদ
জো নহী জানতে ৱফা ক্যা হৈ।

"মই তেওঁৰ প্ৰতিশ্ৰুতিৰ ওপৰত আস্থা ৰাখিছোঁ। অথচ তেওঁ নেজানে প্ৰতিশ্ৰুতি কি বস্তু।"

তথাপি, গালিবৰ এই অভিমান ভাগিবলৈ সৰহপৰ নেলাগে। যদিও তেওঁৰ প্ৰিয়াক মৃদু তীক্ষ্ণ ভাষাত বহুবাৰ তিৰস্কাৰ কৰিছে তথাপি প্ৰিয়াৰ সুমতি হলে আটাইবোৰ পাহৰি যাবলৈ প্ৰস্তুত। তেওঁ জানিছিল, প্ৰেমৰ ক্ষেত্ৰত অভিমান বোলা বস্তুটো একেবাৰে অচল।

মেহৰবাঁ হো কৰ বুলালো
চাহো জিস ৱখত
মেঁ গয়া ৱখত নহী হুঁ কি
ফিৰ আভী ন সকে।
জোফে মে তান এ অগয়াৰ কা
শিকৱা ক্যা হৈঁ
বাত কছ সৰ তো নহী হৈ
কি উঠা ভী ন সকুঁ।
জহৰ মিলতা হী নহী মুঝকো
সিতমগৰ বৰনা

ক্যা কসম হে তেৰে মিলনে কী
কি খা ভী ন সকুঁ ।

"যেতিয়াই তোমাৰ মেহেৰবানী হয়, তেতিয়াই মোক মাতি পঠাবা। মইতো আৰু পাৰহৈ যোৱা সময়, নহওঁ যে পাৰ হৈ গলে উভতি আহিব নোৱাৰো। শক্ৰৰ ঠাট্টা ইতিকিঙৰ বাবে মোৰ্ কোনো অভিযোগ নাই। কাৰণ মুখৰ কথাটো আৰু লাজত দো পৰা মূৰ নহয় যে, ওপৰলৈ তুলিব নোৱাৰো বিহ বিচাৰি পোৱা নাই; পোৱা হলে খালোহেঁতেন। বিহটো তোমাৰ লগত মিলিত নহওঁ বোলা শপত নহয় যে তাক খাব নোৱাৰোঁ।"

গালিবৰ 'শায়ৰ' সমূহৰ মাধুৰ্য্য এই খিনিতেই। দৈনন্দিন জীৱনৰ কথাবোৰকেই ঘূৰাই পকাই অতি বিচিত্ৰ ৰূপ দান কৰে। "বিহ খাব পাৰো কিন্তু তোমাৰ লগত মিলিত নহওঁ বুলি শপত খাব নোৱাৰো।" এই সামান্য কথাষাৰকেই তেওঁৰ কল্পনাৰ যাদুদণ্ডৰ পৰশ দি অপূৰ্ব কৰি তুলিছে। তেওঁৰ কবিতাৰ ৰসঘন ব্যঞ্জনাই যি কোনো কল্পনা থকা মানুহৰে হৃদয়ত বিচিত্ৰ দোলা দি নোযোৱাকৈ নেথাকে।

সুখদুখ, হাহি কান্দোনৰ ইতিকথাই প্ৰেমিকৰ জীৱন। গালিবে সেই ইতিকথাকেই হাস্যৰসৰ অথবা ব্যঙ্গৰ আভাস দি মধুৰ কবিতা ৰচনা কৰিছিল।

ইশক্ মুঝকো নহী বহশৎ হী সহী
মেৰী বহশৎ তেৰী শোহৰৎ হী সহী
কতঅ কীজে ন তাল্লুক হমসে্
কুশ নহী হৈ তো আদাৱৎ হী সহী।

"মোৰ কপালত যেতিয়া প্ৰেম নঘটিলেই, বলিয়ালি কৰিয়েই কটাব লাগিব। মোৰ বলিয়ালি আৰু তোমাৰ গুণৰ প্ৰশংসা শুনাৰ দুৰ্ভাগ্য দুয়োটাকে সহিব লাগিব। তুমি মোৰ লগৰ সম্পৰ্কটো চিঙি নেপেলাবা দেই; প্ৰেমৰ সম্পৰ্ক নেথাকিলে নেথাকিব, শক্ৰতা কৰিলেও তো সহিব পাৰিম।"

প্ৰেমিকৰ কাৰণে আপোনজনৰ উপেক্ষাতকৈ ডাঙৰ দুখ বোধকৰো পৃথিবীত একোৱেই নাই। শক্ৰতা কৰিলেও ভাল লাগে। কিন্তু একো নকৰিলে মুঠেই ভাল নালাগে। আন এটা শায়ৰত তেওঁ লিখিছে—

কিত্নে শিৰীন হে তেৰে
লব্ কি ৰকীব
গালিয়া খাকে বে-মজা ন হুআ

"কি যে মধুৰ তোমাৰ এই অন্তৰখনি তোমাৰ শক্ৰৰেও তোমাৰ মুখৰ গালি খাই দুখ নাপায়।"

গালিবেও সেইবুলি অভিমান নকৰাকৈ থকা নাই। প্ৰেমিকাৰ কাৰণে তেওঁ আটাই-বোৰ দিবলৈ প্ৰস্তুত।

ন হুঈ গৰ মেৰে মৰনে সে
তসল্লী ন সহী
ইস্তেহাঁ ঔৰ ভী বাকী হো
তো যে ভী ন সহী।

"মোৰ মৃত্যুৰেও যদি তোমাৰ হেপাঁহ নপলায় তেনেহলে কি কৰিম কোৱাঁ? মৃত্যুতকৈ যদি ডাঙৰ কিবা পৰীক্ষা কৰিব খোজা মই তাৰ বাবেও প্ৰস্তুত আছোঁ।"

ইমানতো যেতিয়া প্ৰেয়সীৰ পৰা কোনো সঁহাৰি নেপায়, গালিবে তেতিয়া অভিমান কৰাটো স্বাভাৱিক।